# লক্ষ্মীনন্দন বৰা

১৯৩২ চনত নগাওঁ জিলাৰ হাতীচোঙত জন্মগ্ৰহণ কৰা লক্ষ্মীনন্দন বৰাই অসমৰ গ্ৰাম্য জীৱনকে প্ৰধান বিষয়বস্তু হিচাপে লৈ গল্প লিখিবলৈ আৰম্ভ কৰে *ৰামধেনু* আলোচনীত। *অচিন কইনা* (১৯৬৫), *আৱেশ ইন্দ্ৰজাল* (১৯৬৫), *কঠিন মায়া* (১৯৬৬), *দৃষ্টিৰূপা* (১৯৫৯), *গৌৰীৰূপক* (১৯৬১), *কাঁচিয়লীৰ কুঁৱলী*, *মন মাটি মেঘ*, *সেই সুৰে উতলা*, *এই ৰূপ এই ছন্দ* (১৯৬৩), *ব্যতিক্ৰম* (১৯৭৬), *প্ৰেয়সী* (১৯৯৩), *গোপন গধূলি* (১৯৬৯), *দেৱতাৰ ব্যাধি* (১৯৬৬) ইত্যাদি গল্প সংকলনৰ লেখক লক্ষ্মীনন্দন বৰাৰ ঔপন্যাসিক হিচাপেও সুখ্যাতি আছে। *গংগা চিলনীৰ পাখি* (১৯৬৫), *পাতাল ভৈৰৱী* (১৯৮৫), *যাকেৰি নাহিকে উপাম* (১৯৯৩), *উত্তৰ পুৰুষ* (১৯৭০), *নিশাৰ পূৰৱী* (১৯৬২), *ছাঁ-জুইৰ পোহৰত* (১৯৬৩), *আকৌ শৰাইঘাট* (১৯৮০) আদি তেওঁৰ একুৰিৰো অধিক উপন্যাস আছে। ১৯৮৮ চনত তেওঁ *পাতাল ভৈৰৱী* উপন্যাসৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰে।

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিৰ আসন অলংকৃত কৰা লক্ষ্মীনন্দন বৰাই কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১৯৫৪ চনত পদাৰ্থ বিজ্ঞানত স্নাতকোত্তৰ আৰু ১৯৭৭ চনত অন্ধ্ৰবিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট উপাধি লাভ কৰে। ভালেমান কলেজত অধ্যাপনা কৰি যোৰহাট অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞানৰ মূৰব্বী অধ্যাপক ৰূপে অৱসৰ গ্ৰহণ কৰে। লক্ষ্মীনন্দন বৰাই ১৯৯৫ চনত *যাকেৰি নাহিকে উপাম* উপন্যাসৰ বাবে অসম সাহিত্য সভাৰ অম্বিকাগিৰী ৰায়চৌধুৰী বঁটা লাভ কৰে।

অত্যন্ত প্ৰত্যয়জনক ৰূপত অসমৰ গ্ৰামীন সমাজৰ বাস্তৱ চিত্ৰ অংকন কৰা গল্পকাৰ লক্ষ্মীনন্দন বৰাই যথেষ্ট সংখ্যক গল্পৰে অসমীয়া গল্পৰ ভঁৰাল টনকীয়াল কৰি তুলিছে। অনাড়ম্বৰ, সহজ সৰল গাঁৱলীয়া জীৱনৰ সুখ-দুখ, আশা-আকাংক্ষা, ইচ্ছা-অনুভূতিক ভাষাৰ সাৱলীলতা আৰু বৰ্ণনাৰ চিত্ৰধৰ্মিতাৰে এনেভাৱে ফুটাই তুলিছে যে তেওঁৰ গল্পবোৰ হৈ পৰিছে একো একোটা পাহৰিব নোৱাৰা অভিজ্ঞতাৰ সঁফুৰা। বিষয়বস্তু গাঁৱৰ সাধাৰণ আৰু সৰল বিষয়ৰ হোৱা সত্বেও গল্পকাৰৰ সযত্ন স্পৰ্শত সেয়া অভিনৱ হৈ উঠিছে।

জীৱনৰ জটিল সমস্যাৰ ওপৰত সাধাৰণতে লক্ষ্মীনন্দন বৰাই দৃষ্টিপাত কৰা দেখা নাযায় যদিও দ্বিতীয় মহাসমৰ সৰ্বগ্ৰাসী প্ৰভাৱৰ পৰা তেৰোঁ আঁতৰি থাকিব পৰা নাই। যুদ্ধৰ বিভীষিকা তেওঁ অংকন কৰিছে 'আশামতীৰ দশা', 'সম্ভ্ৰম চেতনা' আদি গল্পত। সন্ত্ৰাস জৰ্জৰিত এই জগতখনত তেওঁ

এখন নতুন পৃথিৱীৰ সন্ধান কৰিব খুজিছে 'ঈশ্বৰ পৃথিৱীত' গল্পৰ জৰিয়তে। 'আশামতীৰ দশা'ত[৪৫০] লেখকে যুদ্ধৰ ভয়ংকৰ পৰিবেশৰ বৰ্ণনা দিছে –

> গুলী বাৰুদৰ ধোঁৱা, চাইৰেণৰ সতৰ্ক কৰ্কশ আদেশ, উপৰুৱা বিষয়াৰ গালি-গালাজ আৰু প্ৰতি মুহূৰ্ততে কাষতে মৰাশ দেখি মোৰ প্ৰাণে নেকান্দিছিল। এটাৰ মৃত্যু দেখি নিজে আৰু দুদিন বেছিকৈ জীয়াই থাকিবলৈ মন বান্ধিছিলো। সুৰা, সুন্দৰী আৰু ভালেমান অমানুষিকতাত মই কিৰিলি পাৰি উঠিছিলোঁ। তেনে অৱস্থাত খুব কম মানুহেইহে দয়ালু হ'ব পাৰে। যুদ্ধৰ অৰ্থই হ'ল নিষ্ঠুৰতাৰ প্ৰতিযোগিতা। কবি টেনিশ্যন নিজে যুদ্ধ ক্ষেত্ৰলৈ অহাহেঁতেন ইমান ধুনীয়া শব্দৰে যুদ্ধৰ গৌৰৱ ঘোষণা কৰিব নোৱাৰিলেহেঁতেন। নিজ চকুৰে দেখিছোঁ পানী পানী বুলি হাঁহাকাৰ কৰি মৰা নিৰপৰাধী জনতাৰ মৃত্যু। আৰ্তনাদ শুনিছোঁ বিকলাংগ ডেকা সৈনিকৰ। নিজ দলৰে সৈন্য আৰোগ্যাতীত ভাবে আহত হ'লে জীয়াই থাকোতেই সঙ্গীনৰ খোচ খোৱা দৃশ্য দেখি গা শিয়ঁৰি উঠা নাছিল। মৃত সৈনিকৰ জেপৰ পৰা টকা লুৰুকি নিয়া, শান্তিপূৰ্ণ একোখনি গাঁৱৰে পৰা ভৈয়ামলৈ ভাগি অহা তিৰোতা মানুহৰ সতীত্বনাশ আৰু অলংকাৰ পাতি কাঢ়ি নিয়া আদি অতি সাধাৰণ কথা। সৃষ্টিত আউল লাগি গৈছে।[৪৫১]

এই বিভীষিকাৰ মাজতে হলিৰাম মাষ্টৰৰ জীয়েকৰ জন্ম হৈছে। মানুহৰ আশা-নিৰাশা, দুখ-দৈন্য, মানুহৰ ক্ষয়িষ্ণু অৱস্থা, যুদ্ধ আৰু বিভীষিকা, পৰমাণু বোমা আৰু আন সকলো কথাৰ লগত সংগতি ৰাখি এই কন্যাৰ নামকৰণ কৰা হ'ল 'আশামতী'। আশামতীৰ জন্মৰ জৰিয়তে লেখকে আশাৰ সপোন ৰচিছে – সেই সপোন যুদ্ধৰ অৱসানৰ, শান্তিৰ, সুখৰ, সমৃদ্ধিৰ। কিন্তু এই সপোন স্থায়ী নহ'ল। যৌৱনমতী হোৱাৰ পূৰ্বেই আশামতীৰ মৃত্যুৱে লেখকৰ ভৱিষ্যতৰ শান্তি আৰু সমৃদ্ধিৰ সপোনক চূৰ্ণবিচূৰ্ণ কৰি পেলালে। যুদ্ধৰ অৱসান হ'ল যদিও শান্তি স্থাপন নহ'ল। সভ্য দেশ সমূহত পুনৰ ধ্বংস প্ৰস্তুতি বেছিকৈ চলিবলৈ ধৰিলে – পৰীক্ষা চলিলে অধিক শক্তিশালী পৰমাণু বোমা আৰু উদ্‌যান বোমাৰ। যুদ্ধংদেহি ভাৱ লৈ শক্তিমতলীয়া জাতিয়ে অহংকাৰৰ শেষ সীমাত উপনীত হ'লগৈ। 'আশামতীৰ আশা' গল্পটো এটা ৰূপকাত্মক গল্প।

সন্ত্ৰাস, সমস্যাৰে আচ্ছন্ন এই জগতখনতে থাকি গল্পকাৰ লক্ষ্মীনন্দন বৰাই এখন নতুন

---

৪৫০। লক্ষ্মীনন্দন বৰা – 'আশামতীৰ দশা', *ৰামধেনু*, ১২ শ বছৰ, ১১ শ সংখ্যা

৪৫১। পূৰ্বোক্ত গ্ৰন্থ পৃঃ ১০১৩

পৃথিৱীৰ আন্বেষণ কৰিছে ‘ঈশ্বৰৰ পৃথিৱীত’[৪৫২] গল্পৰ মাজেৰে।

দুজনী সাধাৰণ অসমীয়া ছোৱালী ৰেণু আৰু উমাৰ অধঃপতনৰ কাহিনী শুনি অবাক হৈ পৰিছে ডেকা সৎ চৰকাৰী বিষয়া কন্দৰ্প কাকতি । নিসংকোচভাৱে এই ছোৱালী দুজনীৰ অধঃপতনত অৰিহণা যোগাইছে নিজৰ মাতৃ বেণীমায়ে । মাকেই সিহঁতৰ বাবে গ্ৰাহকৰ যোগান ধৰে। সাধাৰণ মানুহৰ এই অৱক্ষয় ৰূপ দেখি কন্দৰ্প চিন্তিত হৈছে । ব্যক্তিত্বৰ চেতনা হেৰুৱাই পেলোৱাত কন্দৰ্প শিয়ৰি উঠিছে । অন্যায় আৰু পাপ সহ্য কৰাৰ এই মানসিকতা দেখি কন্দৰ্পই অবধ মানিছে । আনহাতে দুদিনমান পিছতেই দিনদুপৰতে কিছুসময়ৰ বাবে কন্দৰ্পৰ ঘৰলৈ আগৰে চিনাকী ছোৱালী ৰীতা, অনু আৰু নীলিমা ফুৰিবলৈ অহা বুলি গম পাই গাঁৱৰ ৰাইজে তাক বিচাৰি ৰাতি তাৰ ঘৰ পাইছেহি -হাতে হাতে শিলগুটি আৰু লাঠি লৈ । ৰাইজৰ এই পৰিবৰ্তন দেখি কন্দৰ্পৰ ভাল লাগিল যে এইবাৰ ভুলকৈ হ'লেও ৰাইজৰ চেতনা জাগিছে । সিহঁতৰ গালিবোৰ তাৰ অমৃত বাণী যেন লাগিল । এই সাধাৰণ দুখীয়া মানুহবোৰে সিহঁতৰ বোৱাৰী-জীয়াৰীৰ বিষয়ে কৰিবলৈ লোৱা চিন্তাৰ পূৰ্বাভাস দেখি সি বৰ সুখী হ'ল । সি আশা কৰিলে হয়তো এই বিক্ষোভ এদিন বিপ্লৱ হ'ব, আন্দোলন হ'ব – হেৰোৱা ব্যক্তিত্ব সিহঁতে ঘূৰাই পাব । ঘৰৰ বাহিৰত এদল উন্মত্ত মানুহৰ হাতত অপমানিত আনকি প্ৰহৃত হোৱাৰ আশংকা সত্বেও কন্দৰ্পৰ ভাবি ভাল লাগিছে যে দুখীয়াৰ এতিয়াও ব্যক্তি-চৈতন্য নিঃশেষ হোৱা নাই । আজি সিহঁতে তাৰ বিষয়ে ভুল বুজিলেও, সিহঁতে এনেকুৱা এক শ্ৰেণী মানুহক ঘিণ কৰিবলৈ - প্ৰতিশোধ ল'বলৈ শিকিছে । ৰেনু - উমাৰ দলটোৱে আৰু ভৱিষ্যতে হয়তো নিজক বিক্ৰী কৰিব নেলাগিব । ডঃ প্ৰহ্লাদকুমাৰ বৰুৱাই লক্ষ্মীনন্দন বৰাৰ গল্পৰ প্ৰসংগত কৈছে - “বৰ্ণনাধৰ্মিতাৰ দিশত লক্ষ্মীনন্দন বৰাৰ গল্প ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্পৰ সমধৰ্মী।”[৪৫৩] মহেন্দ্ৰ বৰাই লিখিছে -

> ......আৰু দুজন পদাৰ্থ বিজ্ঞানৰ ছাত্ৰ - ভবেন্দ্ৰ নাথ শইকীয়া আৰু লক্ষ্মীনন্দন বৰা। এই দুজনে গল্প লিখিবলৈ আৰম্ভকৰিছিল, কলিকতাত স্নাতকোত্তৰ শ্ৰেণীৰ প্ৰবসুৱা জীৱন যাপন কৰি ১৯৫২ চনৰ আশে-পাশে। সেইকাৰণেই, এই দুজনৰ লেখাত পোৱা যায়, এক অপূৰ্ব ‘নষ্টালজিয়া’ বোধ। এইবোধ লক্ষ্মীনন্দন বৰাৰ গল্পত প্ৰখৰতৰ।[৪৫৪]

---

৪৫২। লক্ষ্মীনন্দন বৰা –‘ঈশ্বৰৰ পৃথিৱীত’, *ৰামধেনু*, ১৪শ বছৰ, ২য় সংখ্যা

৪৫৩। প্ৰহ্লাদ কুমাৰ বৰুৱা – *অসমীয়া চুটিগল্পৰ অধ্যয়ন*, পৃঃ ২৯৫

৪৫৪। মহেন্দ্ৰ বৰা – ‘এক জেনেৰেশ্যন গল্প লেখক’, *প্ৰকাশ*, ১০ম বছৰ, ১ম সংখ্যা পৃঃ ১৯৫

'হেমন্তৰ হিমে ধোৱা'[৪৫৫] গল্পত মধ্যবিত্ত শ্ৰেণীৰ প্ৰতিনিধিত্ব কৰা সঞ্জয় আৰু স্বৰ্ণাৰ জীৱন যাত্ৰাৰ মাজত এই শ্ৰেণীটোৰ মানুহখিনিৰ বাস্তৱ জীৱনৰ চিত্ৰ পাহৰিব নোৱাৰা ধৰণে প্ৰকাশ পাইছে । সঞ্জয়ে কেৰাণীৰ চাকৰি কৰে । নৱবিবাহিতা সুন্দৰী পত্নী স্বৰ্ণাৰ প্ৰথম গৰ্ভৱতী অৱস্থাত অসুখ-বিসুখ - ডাক্তৰ এইবোৰত যথেষ্টখিনি মাহিলী দৰমহা খৰছ হোৱাৰ পিচত ঘৰৰ পৰা চিঠি আহিল যে সেই মাহৰ শেষৰ ফালে সঞ্জয়ৰ শাহু আৰু খুলশালী দুটি তেওঁলোকৰ ঘৰলৈ ফুৰিবলৈ আহিব । লগে লগে স্বৰ্ণা আৰু সঞ্জয়ৰ চিন্তাত আউল লাগিল - কাৰণ মাহৰ শেষ! হাতত মাথো ৪ টকাহে আছেগৈ । বিয়া দিয়া ছোৱালীয়ে মাকৰ মুখখন , ভায়েক-ভনীয়েকহঁতক দেখিবলৈ যি আশা কৰে, স্বৰ্ণাৰ সেই স্বাভাবিক আশাকো ধনৰ অভাৱে মষিমূৰ কৰি পেলালে । স্বৰ্ণাৰ লগতে সঞ্জয়ৰ মনো মৰহি গ'ল । সি স্বৰ্ণাই মুখেৰে নক'লেও তাইৰ সমস্যা বুজিলে - আশা - দশা কৰি মাকে আহিব জীয়ৰীৰ সুখ - সমৃদ্ধি চাবলৈ । কিন্তু চাৰিও ফালে আৰ্থিক দুৰ্যোগেৰে জুৰুলা তাৰ সংসাৰ দেখি মুখ ফুটাই একো নক'লেও দুখমনেৰে উভতি যাব ।

সঞ্জয়ে উপায় বিচাৰি সম্পূৰ্ণ এটা ৰাতি উজাগৰে কটোৱাৰ পিছত সিদ্ধান্ত ল'লে যে সদ্যহতে শাহুৱেকহঁত আহিব নালাগে । গতিকে স্বৰ্ণাৰ স্বাস্থ্যৰ উন্নতিৰ বাবে সিহঁত শ্বিলঙলৈ যাবলৈ ঠিক কৰিছে বুলি লিখি শাহুৱেকহঁতক অহাৰ পৰা নিবাৰণ কৰিলে । লগতে লিখিবলৈ নাপাহৰিলে যে বহুত দিন তেওঁলোকৰ পৰা চিঠি-পত্ৰ নোপোৱাৰ বাবে স্বৰ্ণা যথেষ্ট চিন্তাত পৰিছে । গল্পটো এই আশাৰে সমৰণি মৰা হৈছে সঞ্জয়েও জীৱনত ভৱিষ্যতে উন্নতি কৰিব - তাৰ জীৱন আৰম্ভ হৈছেহে মাথোন - উন্নতি কৰিবলৈ এতিয়া যথেষ্ট সময় আছে। সি সেই দিনাহে হিয়াৰে অনুভৱ কৰিলে যে আশাবাদী মন ভগৱন্তৰ অশেষ দান । ভৱিষ্যতৰ সুৱদি আশাৰে সঞ্জয়ৰ মন হেঙুলীয়া হৈ পৰিল ।

লক্ষ্মীনন্দন বৰা গল্পৰ আংগিকৰ ক্ষেত্ৰত সচেতন গল্পকাৰ। তেওঁৰ গল্পত বৰ্ণনাৰ বাহুল্য আছে যদিও সেয়া অপৰিমিত আৰু অনাৱশ্যকীয় নহয়। অপ্ৰয়োজনীয় ঘটনা আৰু পৰিস্থিতিৰ সংযোজন তেওঁৰ গল্পত সাধাৰণতে দেখা নাযায়। আৰু সেইবাবেই গল্পৰ কাহিনীৰ লক্ষ্যৰ একমুখিতা আৰু ফলশ্ৰুতিৰ একময়তা ৰক্ষিত হৈছে। লক্ষ্মীনন্দন বৰাৰ গল্পত কোনো বিশেষ মতাদৰ্শৰ প্ৰভাৱ পৰিলক্ষিত নহয়। এই ক্ষেত্ৰতো লক্ষ্মীনন্দন বৰাৰ গল্প ভৱেন্দ্ৰ নাথ শইকীয়াৰ গল্পৰ সমধৰ্মী।

---

৪৫৫। লক্ষ্মীনন্দন বৰা – 'হেমন্তৰ হিমে ধোৱা', *ৰামধেনু*, ১১শ বছৰ, ৮ম সংখ্যা

লক্ষ্মীনন্দন বৰাৰ গল্পতনৰ-নাৰীৰ প্ৰেমৰ গভীৰতা প্ৰৰ্দশিত হৈছে। কিন্তু কোনো গল্পতে নৰ-নাৰীৰ প্ৰেমক ফ্ৰয়েডীয় দৰ্শনৰ তত্ত্বকথাৰে বিচাৰ বিশ্লেষণ কৰাৰ যত্ন কৰা নাই। সেইবাবে বৰাৰ নৰ-নাৰীৰ প্ৰেম স্বতঃস্ফূৰ্ত আৰু সহজ সৰল।'[৪৫৬]

অসমীয়া গ্ৰামীন জীৱনৰ নিখুঁত চিত্ৰকৰ লক্ষ্মীনন্দন বৰাৰ গল্প 'সখা দামোদৰ'[৪৫৭]ত এক ব্যতিক্ৰমধৰ্মী পৰিস্থিতি প্ৰকাশ কৰা হৈছে। পূৰ্বাপৰ প্ৰচলিত সামাজিক পৰম্পৰাক কিদৰে অভাৱৰ তাড়নাত পৰি বিসৰ্জন দিবলগীয়া হৈছে তাৰেই জীৱন্ত বৰ্ণনা এই গল্পটোত আছে। খেতিয়ক মুকুটে অভাৱৰ বাবেই অতি আদৰৰ গৰুহাল বৰৰঙা আৰু সৰু ৰঙাক বেচিবলগীয়াত পৰি জীৱিকা নিৰ্বাহৰ উপায় হিচাপে হস্পিতালৰ চকীদাৰ হৈছেগৈ। ফলস্বৰূপে তাৰ আগৰ স্বাধীনতাও নাইকিয়া হ'ল আৰু মনৰ আনন্দও নাইকিয়া হ'ল। পথাৰত হাল বাই, গৰু-গাই ধুৱাই পখলাই সি যি অপূৰ্ব তৃপ্তি পাইছিল সেয়া আজি অলীক সপোনৰ দৰে হৈ পৰিল। বহাগৰ বিহুটোত গৰু বিহুৰ দিনাখনো মুকুটৰ ঘৰলৈ আহিবলৈ মন নাই। কিয়নো বৰৰঙা, সৰু ৰঙাক সিতো ঘৰত লগ নাপায়গৈ! বিহুৰ দিনা ঘৰলৈ আহি সি বিছনাতে দুখ মনেৰে পৰি থাকোতে হঠাতে নিজৰ চোতালত গৰুৰ ভৰিৰ শব্দ শুনিবলৈ পালে। একে জাঁপেই উঠি আহি সি দেখিলে যে নতুন ঘৰত আদৰ সাদৰ নাপাই বৰ ৰঙা- সৰুৰঙা পুনৰ তাৰ ঘৰলৈ ঘূৰি আহিছে। মুকুটে ঠিক কৰিলে সি গৰুহালৰ নতুন মালিক গণপতিৰ গাৰোৱান হ'ব। কাৰণ তেতিয়া সি আন একো নাপালেও সৰুৰঙা-বৰৰঙাক মৰম যত্ন কৰিবলৈ পাব। গল্পটোৰ জৰিয়তে গল্পকাৰে কৃষি প্ৰধান অসমীয়া গ্ৰামীন সমাজৰ সৈতে খেতিৰ প্ৰধান আহিলা গৰুৰ নিবিড় আপোন সম্পৰ্ক দেখুওৱাৰ লগতে ক্ৰমবৰ্দ্ধিত অভাৱ-অনাটন ফলত সুখ-শান্তি লুপ্ত গৈ অহা মানুহৰ জীৱনৰ বাস্তৱ কাহিনী প্ৰকাশ কৰিবলৈ যত্ন কৰিছে। এই গল্পটোৰ সন্দৰ্ভত ত্ৰৈলোক্য নাথ গোস্বামীয়ে কৈছে

গল্পটোত মুকুটৰ মনৰ অশান্তি সৰু সুৰা দুই চাৰি ঘটনাৰ মাজেদি পৰিস্ফুট কৰা হৈছে। বৰাৰ আন আন দুই-চাৰি গল্পতো চৰিত্ৰটোৱে এফালৰ পৰা নিজকে ভাৱৰ প্ৰবাহত উটুৱাই দিয়াৰ কাৰণে সেইবোৰ বিশ্লেষণতকৈ বিলাস যেনহে লাগে। 'সখা দামোদৰ'ত এইটো হোৱা নাই। চৰিত্ৰৰ কাৰ্যৰ লগত মুকুটৰ মানসিক অশান্তিৰ সংযোগ আছে।[৪৫৮]

---

৪৫৬। প্ৰহ্লাদ কুমাৰ বৰুৱা – *অসমীয়া চুটিগল্পৰ অধ্যয়ন*, পৃঃ ২৯৬

৪৫৭। লক্ষ্মীনন্দন বৰা – 'সখা দামোদৰ', *বামধেনু*, ১২শ বছৰ, ২য়-৩য় সংখ্যা

৪৫৮। ত্ৰৈলোক্য নাথ গোস্বামী – *আধুনিক গল্প সাহিত্য*, পৃঃ ১৯১

আৰ্থিক দুৰৱস্থাৰ বাবেই লাহে লাহে নিঃশেষ হৈ আহিব খোজা পুৰণিকলীয়া সাংস্কৃতিক মূল্যবোধৰ লগতে সুস্থ আৰু সুৰুচিপূৰ্ণ মানসিকতাৰ অভাৱ পৰিলক্ষিত হোৱা নতুন প্ৰজন্মৰ বাবেও ক্ৰমশঃ হেৰাই যাব খোজা সংস্কৃতিৰ ক্ষয়িষ্ণু ৰূপ এটাও লক্ষ্মীনন্দন বৰাই তেওঁৰ গল্প 'ভাওনা'[৪৫৯]ৰ জৰিয়তে বৰ সুন্দৰকৈ প্ৰকাশ কৰিছে। গাঁৱৰ ভাওনা চাবলৈ অহা দুজনমান বৃদ্ধৰ হৃদয় শোকাভিভূত হৈ পৰিছে দশৰথৰ কৰুণ বিলাপ হৃদয়ংগম কৰি, আনহাতে গাঁৱৰে উঠা অহা ডেকাচামৰ হৃদয় জুৰ পৰিছে ভাওনা চাবলৈ অহা ফুলেশ্বৰীৰ ৰূপ যৌৱন দৰ্শনৰ দ্বাৰা। ফুলশ্বৰী ঘৰলৈ গুছি যোৱাৰ লগে লগে সিহঁতো নামঘৰৰ পৰা অন্তৰ্দ্ধান হৈছে।

অসমৰ ধৰ্মীয় আধ্যাত্মিক ঐতিহ্যৰ অৱক্ষয়ৰ বিষয়ে এইজন গল্পকাৰে ৰচনা কৰা আন এটা গল্প 'গুৰুপৰ্ব'[৪৬০]। ইয়াত পতনমুখী এটি গুৰু পৰিয়ালৰ কাহিনীৰ বৰ্ণনা আছে। অভাৱ অনাটনত জুৰুলা হৈ পৰা মুকুন্দ গোঁসায়ে পূৰ্বপুৰুষৰ পৰা উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা গন্ধৰ্ব বিদ্যা কুবেৰৰ ধনৰ দৰে সাঁচি থয়; কোনো শিষ্যক সম্পূৰ্ণকৈ এই দেউবিদ্যা দান নকৰে। কিয়নো এমাহতে যদি শিষ্যই আয়ত্ব কৰি লয়, তেন্তে বছৰৰ বাকীকেইটা মাহ তেওঁ কিদৰে চলিব,- কেনেকৈ পৰিয়ালক পোহপাল দিব? সেয়েহে বিষয়-বাসনা আৰু লোভ-মোহৰ বশবৰ্তী হৈ তেওঁ নিতান্ত স্বাৰ্থপৰৰ দৰে শিষ্যক শিক্ষা দান কৰিছিল।অৱশেষত মৰণৰ আগমুহূৰ্তত নিজৰ এই দুৰ্বলতাৰ বিষয়ে অকপটে শিষ্যৰ আগত স্বীকাৰ কৰি ৰাগ-তাল সম্পৰ্কীয় পুথিখনকে গটাই দি শান্তি লাভ কৰিছে।

অসমীয়া গ্ৰাম্য জীৱনৰ শাশ্বত চাৰুময় সংস্কৃতিৰ দিশটোৰ বাহিৰেও যে যুগ যুগ ধৰি খোপনি পুতি থকা অন্ধবিশ্বাস, কু-সংস্কাৰৰ ভয়াবহ ৰূপ এটাও গাঁৱৰ মাজত আছে । সেয়া প্ৰকাশ পাইছে লক্ষ্মীনন্দন বৰাৰ গল্প 'এৰাবাৰীৰ লেছেৰি'[৪৬১]ত। ইয়াত লেখকে এগৰাকী দুৰ্ভগীয়া নাৰীৰ হৃদয়বিদাৰক জীৱন কাহিনী উত্থাপন কৰিছে। গোঁসাই পৰিয়ালৰ বোৱাৰী ৰজিতাই বিয়াৰ কিছুদিনৰ পিছতেই বৈধব্যৰ অভিশাপ মূৰত তুলি লৈ অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ মাজত জীৱন অতিবাহিত কৰিছিল যদিও এবাৰ ৰজিতাই ভুল কৰি পেলালে। জৈৱিক তাড়নাৰ বশবৰ্তী হৈ ৰজিতাই কলিতাৰ ঘৰৰ ল'ৰা চন্দনৰ সৈতে গোপনভাৱে মিলিত হ'ল। ফলস্বৰূপে চন্দন আৰু ৰজিতা দুয়োজনেই সমাজৰ বিচাৰত মৃত্যুদণ্ড গ্ৰহণ

---

৪৫৯। লক্ষ্মীনন্দন বৰা – 'ভাওনা', *ৰামধেনু*, ৭ম বছৰ, ৫ম-৬ষ্ঠ সংখ্যা

৪৬০। লক্ষ্মীনন্দন বৰা– 'গুৰুপৰ্ব', *অসমীয়া গল্পগুচ্ছ*

৪৬১। লক্ষ্মীনন্দন বৰা – 'এৰাবাৰীৰ লেছেৰি', *ৰামধেনু*, ১০ম বছৰ, ১২শ সংখ্যা

কৰিলে। কালক্ৰমত ৰজিতাৰ অতৃপ্ত হুমুনিয়াহে সেই গোঁসাইৰ ঘৰক এৰাবাৰীলৈ ৰূপান্তৰিত কৰিলে।

গল্পকাৰে এই গল্পটিত মানুহৰ জীৱনক সমাজৰ নিয়মতকৈ আগত স্থান দিছে। সেয়েহে ...তাৰৈৰ মুখেৰে ইয়াৰ সপক্ষে যুক্তি দৰ্শন কৰিছে –

> আগৰ ঋষি মুনিয়েও মানুহৰ হিয়াৰ সনাতন আকাংক্ষাক মূল্য দিছিল। এটা শ্লোকত কি আছে জান ? আকুল হৈ নাৰীয়ে প্ৰেম নিবেদন কৰিলে তাত পাপ-পূণ্যৰ প্ৰশ্ন উঠিব নোৱাৰে।[৪৬২]

ৰজিতা প্ৰথমতে যেতিয়া বোৱাৰী হৈ আহিছিল, তেতিয়া সকলো প্ৰশংসাত পঞ্চমুখ আছিল। ...জিতাৰ দৰে হেনো সুলক্ষণী নাৰী পাবলৈকে বিৰল কিন্তু ৰজিতা যেতিয়া অকালতে বিধবা হ'ল, এই ...কেখিনি মানুহেই বিপৰীত অভিমত দিবলৈ ধৰিলে। বিনাদোষত সকলোৰে পৰা পোৱা অনাদৰ ...হেলাই তাইক বিদ্ৰোহী কৰি তুলিলে। সামন্তযুগীয়া মনোবৃত্তি আৰু নিষ্ঠুৰতাৰ বাবে ধ্বংস হৈযোৱা ...ষ্পাপ ৰজিতাৰ সপক্ষে তাৰৈৰে কৈছে – "এজনী তিৰোতাৰ আশা-আকাংক্ষাক পুলিতে মোচোকা ...ৰি থোৱা কাৰণে এই সত্ৰৰ নিষ্ঠুৰ ব্যৱস্থাক ভৱিষ্যতৰ কোনো মানুহে ক্ষমাৰ চকুৰে নাচাব।"[৪৬৩]

'এৰাবাৰীৰ লেছেৰি'ত গল্পকাৰে গাঁৱলীয়া সমাজৰ বিভিন্ন ৰীতি-নীতি, নিয়ম-কানুনৰ দীঘলীয়া ...ৰ্ণনা দাঙি ধৰিছে। এইবোৰে তেওঁৰ এইখন সমাজৰ সৈতে থকা নিবিড় সম্পৰ্কক দাঙি ধৰিছে। ...পৰি লক্ষ্মীনন্দন বৰাৰ গল্পবোৰত প্ৰায়েই বিভিন্ন ঘোষা-পদৰ উদ্ধৃতি, বিহুগীত আদিৰ উল্লেখ পোৱা ...য়। ঠায়ে ঠায়ে প্ৰয়োগ কৰা ফকৰা-যোজনাই লেখকৰ গল্পৰ পৰিবেশ অংকনৰ বাবে প্ৰয়োজনীয় ...মল হিচাপেও কাম কৰিছে। এই প্ৰসংগত ত্ৰৈলোক্য নাথ গোস্বামীয়ে কৈছে –

> কিন্তু ক'তো ক'তো ফকৰা যোজনাৰ অধিক প্ৰয়োগ, খোল মৃদংগৰ বোলৰ সঘন উল্লেখ আৰু বৈষ্ণৱ কবিসকলৰ পদৰ উদ্ধৃতিয়ে গল্পৰ স্বাভাৱিক গতিত আৰু ভাষাৰ লালিত্যত বাধাৰ সৃষ্টি কৰিছে।[৪৬৪]

...বাচিত গল্পৰ বিষয়ে এইজন গল্পকাৰে কৈছে –

> মই গল্প লিখোঁতে ঘটনা বা কাহিনীয়ে আকৰ্ষণ কৰে। গল্প এটা লিখা সময়খিনিতকৈ পৰিকল্পনা কৰা বা ভবা সময়খিনি মোৰ বেছি ভাল লাগে। সমাজত লাভ কৰা অভিজ্ঞতা, বিশেষ ঘটনা বা বাস্তৱ জীৱনৰ চৰিত্ৰই মোক প্ৰেৰণা যোগায়। কাহিনী, চৰিত্ৰ, পৰিবেশ আৰু ৰচনাৰ ষ্টাইল – এই চাৰিওটাৰ ভিতৰত এটা সুন্দৰ সমন্বয় স্থাপন কৰিব পাৰিলেহে এটা ভাল গল্প হ'ল বুলি ভাবোঁ। সেইবাবে মোৰসামৰ্থ্যৰে মই চাৰিওটাৰভিতৰত harmony ৰাখিবলৈ যত্ন কৰোঁ।[৪৬৫]

---

৪৬২। লক্ষ্মীনন্দন বৰা – 'এৰাবাৰীৰ লেছেৰি', *ৰামধেনু*, ১০ম বছৰ, ১২শ সংখ্যা, পৃঃ ১১১৩,

৪৬৩। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১১৩

৪৬৪। ত্ৰৈলোক্য নাথ গোস্বামী – *আধুনিক গল্প সাহিত্য*, পৃঃ ১৯২

৪৬৫। নগেন শইকীয়া (সম্পাঃ) – *আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ* ,পৃঃ ১৬৩, ১৬৫

# গোবিন্দ প্ৰসাদ শৰ্মা

১৯৪০ চনত নলবাৰীত জন্ম গ্ৰহণ কৰা বিশিষ্ট সমালোচক তথা গল্পকাৰ গোবিন্দ প্ৰসাদ শৰ্মাই সম্প্ৰতি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক হিচাপে অৱসৰ গ্ৰহণ কৰিছে। কম সংখ্যক গল্পৰে গল্পকাৰ হিচাপে সাৰ্থকতা প্ৰতিপন্ন কৰিবলৈ সক্ষম হোৱা এজন অন্যতম সাৰ্থক গল্পকাৰ হৈছে গোবিন্দ প্ৰসাদ শৰ্মা। ৰামধেনুত প্ৰকাশিত তেওঁৰ ব্যতিক্ৰমধৰ্মী গল্প 'অৰুন্ধতীৰ ত্ৰিতত্ব'। *কাঁচৰ দৰে হীৰাৰ দৰে* (১৯৬৮), *দূষিত সুবাস* (১৯৭১), *ছোৱালী হোষ্টেলত এগৰাকী লেজবিয়ান*(১৯৯৩) তেওঁৰ উল্লেখনীয় গল্প সংকলন।

'ছোৱালী হোষ্টেলত এগৰাকী লেজবিয়ান'[৪৬৬] গল্পত এগৰাকী অধ্যাপিকাই বিশ্ববিদ্যালয় জীৱনত লগ পাই অহা নাৰীমুক্তি আন্দোলনৰ প্ৰবক্তা দুগৰাকী ছাত্ৰী সংঘমিত্ৰা চলিহা আৰু অনসূয়া শইকীয়াৰ কথা মনত পেলাইছে। সেই নাৰীবাদী চিন্তা চৰ্চাৰ প্ৰাসংগিকতাক তেওঁ বিচাৰ বিশ্লেষণ কৰি চাইছে। বিশ্ববিদ্যালয়ৰ ছাত্ৰী নিবাসত সংঘমিত্ৰা আৰু অনুসূয়াই গঠন কৰা লেজবিয়ান সমাজৰ গুৰুত্ব সেই সময়ত গভীৰভাৱে বুজি নাপালেও এতিয়া তেওঁ এই আন্দোলনৰ প্ৰয়োজনীয়তা যেন মৰ্মে মৰ্মে উপলব্ধি কৰিছে। নিজৰ জীৱনত তেৱোঁ কোনোদিনেই কোনো পুৰুষৰ প্ৰতি আকৰ্ষিত নহ'ল। পুৰুষৰ সংগ তেওঁৰ কোনো দিনেই কাম্য নহ'ল - সেয়েহে তেওঁ অবিবাহিতা হৈয়েই থাকিল। নাৰীয়ে প্ৰকৃত মানৱীয় জীৱন যাপন কৰিবলৈ হ'লে, নাৰীয়ে তেওঁলোকৰ প্ৰতিভা পূৰ্ণ ৰূপত বিকশিত কৰিবলৈ হ'লে পুৰুষৰ আধিপত্যৰ পৰা নিজক বচাবই লাগিব আৰু পুৰুষৰ সৰ্বগ্ৰাসী আধিপত্যৰ পৰা নিজকে বচোৱা পুৰুষৰ পৰা সম্পূৰ্ণ আঁতৰি থাকিলেহে সম্ভৱ হ'ব - সংঘমিত্ৰাহঁতৰ এই মতবাদ যেন তেঁৱেই নিজৰ ক্ষেত্ৰতে প্ৰযোজ্য কৰি প্ৰমাণ কৰিলে।

গল্পটোত নাৰীৰ মুক্তিৰ বাণী ঘোষিত হৈছে - এই মুক্তি সামাজিক বন্দীত্বৰ পৰা মুক্তি। নাৰীমুক্তিৰ বাণী ঘোষণাৰে গল্পকাৰে এই গল্পটোত এক সমাজ সংস্কাৰকামী মনোভাৱ ব্যক্ত কৰিছে। অৱশ্যে এই উদ্দেশ্য বা বক্তব্য পোনপটীয়া বা প্ৰত্যক্ষ নহয়। সংঘমিত্ৰা আৰু অনসূয়াৰ বিপ্লৱী চিন্তা-চৰ্চাৰ গভীৰতাৰ জৰিয়তে গল্পকাৰে নিজৰ বক্তব্য প্ৰকাশ কৰিছে - এইখিনিতে গল্পটোৰ সাফল্য নিহিত

---

৪৬৬। গোবিন্দ প্ৰসাদ শৰ্মা - 'ছোৱালী হোষ্টেলত এগৰাকী লেজবিয়ান', *ছোৱালী হোষ্টেলত এগৰাকী লেজবিয়ান* ।

হৈ আছে।

'অৰুন্ধতীৰ ত্ৰিতত্ব'[৪৬৭] এটা প্ৰেমৰ গল্প যদিও ইয়াত গল্পকাৰে প্ৰেমৰ কাহিনী এটা কোৱাতকৈ নাৰীৰ প্ৰেমৰ মনস্তাত্বিক বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰিছে। নাৰী পুৰুষৰ মাজৰ প্ৰেম অতি স্বাভাৱিক। অৰুন্ধতীয়েও কনক মজুমদাৰ, ধ্ৰুৱজ্যোতি দত্ত, নিলয় বৰুৱা আদি একাধিক পুৰুষৰ প্ৰেমত পৰিছে। প্ৰেমৰ ক্ষেত্ৰত কেৱল আৱেগক প্ৰধান্য দিয়া অৰুন্ধতীয়ে বিয়াৰ ক্ষেত্ৰত কিন্তু যুক্তি, বুদ্ধি আৰু বিবেকক অগ্ৰাধিকাৰ দিছে। প্ৰেম আৰু বিবাহ, বিবাহপূৰ্ব প্ৰেম আৰু বিবাহোত্তৰ প্ৰেমৰ তত্বৰ ব্যাখ্যা বিচাৰি অৰুন্ধতীয়ে নিজৰ মনত এখন চিন্তাৰ জগত সৃষ্টি কৰি তাতে ডুব গৈছে। "নৰ-নাৰীৰ প্ৰেমৰ তাত্বিক উপলব্ধি, কাব্যময় ভাষাৰ সাৱলীলতা, কেন্দ্ৰীয় ভাৱৰ পৰিণতিমুখী ঐক্য আৰু সামগ্ৰিকভাৱে ৰসপৰিণতি সৃষ্টি কৰিব পৰা গুণৰ বাবে গোবিন্দ প্ৰসাদ শৰ্মাৰ 'অৰুন্ধতীৰ ত্ৰিতত্ব' এটা উন্নতমানবিশিষ্ট গল্প।"[৪৬৮] কিন্তু এই সকলোবোৰৰ উপৰিও গল্পটোৰ বৈশিষ্ট্য লুকাই আছে অন্য এটা বিষয়ত আৰু সেইটো হ'ল নাৰী মুক্তিৰ পৰোক্ষ ঘোষণা। অৰুন্ধতীয়ে বিয়াৰ আগতে অধ্যাপক ধ্ৰুৱজ্যোতিক ভাল পাইছে, আনকি তেৱোঁ তাইকেই ভাল পাই বুলি সজোৰে দাবীও কৰিছে, কিন্তু তাই তেওঁৰ বিবাহৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰিছে একে আষাৰতে। তাৰ কাৰণ হ'ল স্বামী হিচাপে তাই বিচৰা পুৰুষজন ধ্ৰুৱজ্যোতিৰ মাজত নাই, বিয়াৰ পিছত এটা নিৰস, গতানুগতিক জীৱন সাহিত্য আৰু কবিতাৰ মাজেৰে তাই পাৰ কৰিব নোখোজে। আৰ্থিক স্বাচ্ছন্দ্য তাই বিচাৰে, লগতে বিচাৰে নিৰাপদ এক ভৱিষ্যৎ। ডাঃ কনক মজুমদাৰক অৱশ্যে অৰুন্ধতীয়ে বিয়া কৰিব খুজিছিল কিন্তু মজুমদাৰৰ ইচ্ছা হ'ল সেইসময়ত উচ্চ শিক্ষা লোৱাৰহে, বিয়াৰ নহয়। গতিকে অৰুন্ধতীয়ে অপেক্ষা কৰাৰ সলনি অন্য এজন সুযোগ্য জীৱন সংগীৰ সন্ধান চলালে আৰু মাক দেউতাকৰ ইচ্ছা মতেই মেজিষ্ট্ৰেট নিলয় বৰুৱাৰ সৈতে বিয়াত বহিল। যথাসময়ত অৰুন্ধতীয়ে এটি কন্যা সন্তানৰ জন্ম দিয়ে। কিন্তু এই সকলোবোৰ লাভ কৰাৰ পিছতো তেওঁ ভিতৰি ভিতৰি অসুখী হৈ ৰ'ল কিয়নো তেওঁ স্বাধীন মনেৰে একোৱেই কৰিব নোৱাৰিলে, সন্মান কৰিব নোৱাৰিলে আপোন ব্যক্তিত্বৰ মৰ্যাদাক। সেয়েহে তেওঁ উপলব্ধি কৰিছে যে যেতিয়ালৈকে নাৰীয়ে স্বাধীন মন এটাৰ অধিকাৰী হ'ব নোৱাৰে, সবল ব্যক্তিত্ব এটিৰ অধিকাৰী নহয়, তেতিয়ালৈকে নাৰী মুক্তি, নাৰী স্বাধীনতা আশা কৰিব

৪৬৭। গোবিন্দ প্ৰসাদ শৰ্মা– 'অৰুন্ধতীৰ ত্ৰিতত্ব', *ৰামধেনু*, ১৮শ বছৰ, ৯ম সংখ্যা

৪৬৮। প্ৰহ্লাদ কুমাৰ বৰুৱা – *অসমীয়া চুটিগল্পৰ অধ্যয়ন*, পৃঃ ৩৩৯

নোৱাৰি। কেৱল মহিলা সমিতিত যোগ দি বক্তৃতাৰ ফুলজাৰি মাৰিলেই নাৰী স্বাধীনতা নাহে। মনৰ উৎকৰ্ষ সাধন আৰু স্বাৱলম্বিতাৰ জৰিয়তেহে মুক্তি অহাটো সম্ভৱ। অৰুন্ধতীয়ে কৈছে -

> স্বাৱলম্বী হ'ব লাগিব বুলি নিজৰ ভৰিত নিজে থিয় হৈ নিজে চলি যাব লাগিব বুলি, নিজৰ পৰিচয়ত আজীৱন নিজকে পাই যাম বুলি ভয় কৰি, এদিন মই ধ্ৰুৱজ্যোতি দত্তক আঁতৰাই কনক দত্ত মজুমদাৰক বিচাৰিছিলোঁ। তাৰপিছত মোৰ বিয়া কনক ভিনদেউতকৈয়ো বেছি প্ৰতিষ্ঠাশীল এজনৰ সতে হোৱাৰ সম্ভাৱনা দেখি, আৰু ধ্ৰুৱজ্যোতি দত্তৰ সতে মোৰ বিয়া হ'লে যিবোৰ ভয় আছিল, সেইবোৰ ভয় এই বিয়াৰ ফলত লেশমানো নহ'ব বুলি জানি মই এই বিয়াত সন্মতি দিলোঁ। কি অধিকাৰ আছে মোৰ আজি নাৰী মুক্তি, নাৰী স্বাধীনতাৰ নামত মহিলা সমিতিত যোগ দি টেটুঁ ফালিবৰ ? অকল মোৰেই কিয়, অসমৰ কেইজনী নাৰীৰ এই অধিকাৰ আছে ? যেতিয়ালৈকে আমি স্বাধীন মন এটাৰ অধিকাৰী নহওঁ, সবল ব্যক্তিত্ব এটিৰ অধিকাৰী নহওঁ, তেতিয়ালৈকে আমি জানো নাৰী মুক্তি, নাৰী স্বাধীনতা আশা কৰিব পাৰো ?[৪৬৯] 8

—সেয়েহে অৰুন্ধতীয়ে নিজৰ জীয়েক মনটি এনে এগৰাকী নাৰী হোৱাটো বাঞ্ছা কৰিছে যিয়ে এটা শক্তিশালী মন আৰু আপোন ব্যক্তিত্বৰ মৰ্যাদাক মূল্য দিব পাৰিব !

৪৬৯। গোবিন্দ প্ৰসাদ শৰ্মা– 'অৰুন্ধতীৰ ত্ৰিতত্ব', *ৰামধেনু*, ১৮শ বছৰ, ৯ম সংখ্যা, পৃঃ ৩৮

## লুম্মেৰ দাই

১৯৪০ চনত অৰুণাচল প্ৰদেশৰ আলঙত লুম্মেৰ দায়ে জন্ম গ্ৰহণ কৰে। ১৯৬২ চনত কটন কলেজৰ পৰা স্নাতক উপাধি লাভ কৰি চৰকাৰী চাকৰিয়াল হিচাপে যোগদান কৰি তেওঁ অৰুণাচল প্ৰদেশৰ তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালক হিচাপে অৱসৰ গ্ৰহণ কৰে আৰু ২০০2 চনত তেওঁৰ পৰলোক প্ৰাপ্তি ঘটে। পাহাৰ আৰু ভৈয়ামৰ সম্প্ৰীতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰি গল্প লিখা গল্পকাৰ লুম্মেৰ দায়ে ৰামধেনু যুগৰ শেষ স্তৰত আত্মপ্ৰকাশ কৰে। তেওঁৰ এনে ধৰণৰ গল্পই *ৰামধেনু*ৰ গল্পৰ বিষয়বস্তুৰ বিস্তৃতি চিহ্নিত কৰিছে। লুম্মেই দায়ে তেওঁৰ কিছুসংখ্যক গল্পৰ পটভূমিৰূপে অৰুণাচল প্ৰদেশৰ জনজাতীয় সমাজখনক দাঙি ধৰিছে। পাহাৰীয়া জনজাতিৰ দৈনন্দিন জীৱনধাৰা, লোকবিশ্বাস, সামাজিক ৰীতিনীতিৰ বাস্তৱধৰ্মী বৰ্ণনাৰে লুম্মেৰ দাইৰ গল্পবোৰ সুখপাঠ্য। তেওঁৰ গল্পত অৰুণাচলৰ জনজাতি জীৱনৰ চিত্ৰ উদ্ভাসিত হৈছে। *কইনাৰ মূল্য* (১৯৮২) তেওঁ এখন উল্লেখযোগ্য উপন্যাস। *পাহাৰৰ শিলে শিলে* (১৯৬১), *পৃথিৱীৰ হাঁহি* (১৯৬৩) তেওঁৰ গল্প সংকলন ।

'পৃথিৱীৰ হাঁহি'[৪৭০] লুম্মেৰ দাইৰ বিখ্যাত গল্প। ইয়াত এজনী অৰুণাচলী ছোৱালী মিমিৰ গভীৰ প্ৰেম আৰু আত্মত্যাগৰ কৰুণ কাহিনী মৰ্মস্পৰ্শী ভাৱে লিপিবদ্ধ হৈছে। প্ৰেমৰ বিনিময়ত মিমিয়ে বাৰে বাৰে প্ৰতাৰণাকে পাইছে। সেইয়া পাহাৰতেই হওক বা ভৈয়ামতেই হওক। পাহাৰীয়া ডেকা ডেম্পেৰ সৈতে তাইৰ মিলন সম্ভৱ হৈ নুঠাত মিমি ভৈয়ামলৈ নামি আহি উইভিং স্কুলত ভৰ্তি হৈছেহি। সেই স্কুলৰে মাষ্টৰৰ মিছা প্ৰেমত ভোল গৈ মিমিয়ে এটা সন্তানৰ জন্ম দিছে আৰু আনহাতে মাষ্টৰ কেনিবাদি উধাও হৈছে। তাৰপিছত আকৌ মিমিয়ে এঘৰ মানুহৰ আশ্ৰয় লাভ কৰিছে যদিও অনাহকতে ঘৰৰ গিৰিহঁতনীয়ে মিমি আৰু গিৰিহঁতৰ মাজত অবৈধ সম্পৰ্ক আছে বুলি সন্দেহ কৰি তাইৰ জীৱন বিষময় কৰি তুলিছে। অগত্যা জীৱনৰ প্ৰতি বিতৃষ্ণা জন্মি মিমিয়ে বিহ খাই তাই আৰু সন্তানটোৰ মৃত্যুক আহ্বান কৰিব খুজিছে যদিও অৱশেষত মাতৃৰ মমতাৰেই জয় হৈছে আৰু তাই জীয়াই থকা সংকল্পৰে উদ্দেশ্যহীন ভাৱে ঘৰৰ পৰা ওলাই গৈছে।

গল্পটোত লেখকৰ পাহাৰ ভৈয়ামৰ সম্প্ৰীতিৰ সপোন দিঠকত পৰিণত হ'বলৈ পোৱা নাই।

---

৪৭০। লুম্মেৰ দাই – 'পৃথিৱীৰ হাঁহি', *ৰামধেনু*, ১৩শ বছৰ, ১০ম সংখ্যা

স্কেচবেক পদ্ধতিৰে গল্পটো আৰম্ভ হৈছে। মিমিৰ চৰিত্ৰাংকনত গল্পকাৰে সফলতাৰ পৰিচয় দিছে। বিভিন্ন ঘাত-প্ৰতিঘাত, সা-সমস্যাৰ সন্মুখিন হৈয়ো মিমি ভাগৰি পৰা নাই। জীৱন যুদ্ধত বৰ্তি থকাৰ আশাৰে তাই বাৰে বাৰে সাহস আৰু শক্তি গোটাইছে। মিমিৰ কথা-বতৰা, ধৰণ-কৰণ, চিন্তা-ভাৱনা সকলোতে পাহাৰীয়া ছোৱালীৰ সাৰল্য বিৰাজমান। তাইৰ প্ৰেমিক ঙেম্পেক তাই তুলনা কৰিছে সিহঁতৰ পৰম্পৰাগত নৃত্য 'পনুং' নাচৰ সৈতে ! "ঙেম্পে - ইমান ভাল লাগে তাইৰ। ঙেম্পে সিহঁতৰ পনুং নাচৰ নিচিনা। ইমান ৰসাল, তাৰ হাঁহিৰ নিচিনা ইমান মিঠা মিঠা, খুব মৰমলগা !"[৪৭১] 2 তেনেই সহজ সৰল সুন্দৰ ভাষাৰে অতি প্ৰাঞ্জলৰূপত গল্পকাৰে গল্পৰ বিষয়বস্তু আগবঢ়াই লৈ গৈছে। এটাই মাথো কেন্দ্ৰস্থ ভাৱে ক্ৰিয়া কৰা গল্পটোৰ পৰিণতিমুখী উৎকণ্ঠাও শেষলৈকে অব্যাহত আছে।

---

৪৭১। লুম্মেৰ দাই - 'পৃথিৱীৰ হাঁহি', *ৰামধেনুৰ শ্ৰেষ্ঠ গল্প*, পৃঃ ২৮৮

# প্ৰবীণা শইকীয়া আৰু অণিমা দত্ত

ৰামধেনুতে প্ৰথম আত্মপ্ৰকাশ কৰা প্ৰবীণা শইকীয়া গল্পকাৰ হিচাপেই কেৱল নহয়, কবি শিশু সাহিত্যিক আৰু উপন্যাসিক হিচাপেও সমানেই জনপ্ৰিয় আৰু সুখ্যাতিসম্পন্ন । *প্ৰিয়তম* (১৯৭৯), *ত্ৰিভুবণ* (১৯৭৯), *অবিনাশী স্বপ্ন* তেওঁৰ উল্লেখযোগ্য গল্পসংকলন। *উত্তৰায়ণ* (১৯৬৭), *সিংহদুৱাৰ* (১৯৮২) তেওঁৰ প্ৰকাশিত উপন্যাস। *অজান দেশত এলিচ* (১৯৮০), *দাপোন দেশত এলিচ* (১৯৮৫) তেওঁৰ দ্বাৰা অনুদিত শিশুগ্ৰন্থ। অনুবাদক হিচাপেও প্ৰবীণা শইকীয়া স্বনামধন্যা।

১৯৩৬ চনত তিনিচুকীয়াত জন্ম গ্ৰহণ কৰা প্ৰবীণা শইকীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়াত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। গুৱাহাটীৰ বি. বৰুৱা কলেজত এক সুদীৰ্ঘ কৰ্মজীৱন কটাই অৱসৰ গ্ৰহণ কৰাৰ পিছত ১৯৯৮ চনত তেওঁৰ মৃত্যু ঘটে।

অসমৰ বৈষ্ণৱী সাহিত্য আৰু দৰ্শনৰ এগৰাকী গৱেষিকা অণিমা দত্তই (ভৰালী) *ৰামধেনুৰ* শেষ স্তৰত গল্পকাৰৰূপে আত্মপ্ৰকাশ কৰে। 'কাঞ্চনজংঘা' আৰু 'বেলি ফুলৰ সপোন' (১৯৬৩) তেওঁৰ প্ৰকাশিত গল্প সংকলন। প্ৰবন্ধকাৰ হিচাপেও অণিমা দত্তৰ সুখ্যাতি আছে। Assam Vaishnavism গৱেষণা গ্ৰন্থৰ উপৰিও *অসমৰ বৈষ্ণৱ সাহিত্য আৰু দৰ্শন* আৰু তেওঁৰ প্ৰবন্ধ সংকলন।

১৯৩৮ চনত শিৱসাগৰত জন্ম গ্ৰহণ কৰা অণিমা দত্তই ১৯৬১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে অসমীয়া বিভাগত। ১৯৮৫ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে *লক্ষ্মীনাথ বেজবৰুৱাৰ ধৰ্ম আৰু দৰ্শন অধ্যয়নলৈ অৱদান বিষয়ত* । সম্প্ৰতি শ্ৰীমতী দত্তই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰা অধ্যাপিকা হিচাপে অৱসৰ গ্ৰহণ কৰিছে। 'কাঞ্চনজংঘাৰ' বাবে তেওঁ ১৯৯৬ চনত অসম সাহিত্য সভাৰ 'বাসন্তী দেৱী' বঁটা লাভ কৰে।

ৰামধেনুৰ শেষৰ ফালে আত্মপ্ৰকাশ কৰা দুগৰাকী বিশিষ্ট গল্প লেখিকা অণিমা দত্ত (ভৰালী) আৰু প্ৰবীণা শইকীয়া। এই দুয়োগৰাকী গল্পকাৰে গল্পত একোটা কাহিনী কথনৰ ওপৰত গুৰুত্ব দিয়া যেন অনুমান হয়। একোটা নিটোল কাহিনী থকা সত্ত্বেও তেওঁলোকৰ গল্পত ভাৱৰ ঐক্য অক্ষুণ্ণ থাকে। এটা মাথোন কেন্দ্ৰীয় ভাৱক অৱলম্বন হিচাপে লৈ কাহিনী আগবঢ়াই নিওঁতে ভাৱবস্তুৰ ঐক্য বিনষ্ট হোৱা দেখা নাযায়। নাটকীয় পৰিস্থিতিৰ সৃষ্টি কৰি কাহিনী নিৰ্মাণ কৰিব পৰা সৃষ্টি ক্ষমতাৰ বাবেই প্ৰবীণা

শইকীয়াৰ গল্পৰ কাহিনীয়ে পাঠকক আকৰ্ষণ কৰে। চুটিগল্পৰ সাফল্যৰ বাবে অতি প্ৰয়োজনীয় গুণ গল্পৰ পৰিণতিমুখী উৎকণ্ঠা সৃষ্টিৰ এই ক্ষেত্ৰত দুগৰাকী লেখিকাৰ সচেতন মনৰ পৰিচয় পোৱা যায় তেওঁলোকৰ গল্পবোৰৰ জৰিয়তে। গল্পৰ কাহিনীৰ এই পৰিণতিমুখী উৎকণ্ঠা অব্যাহত ৰাখিব পৰাটোতো গল্পকাৰ দুগৰাকীৰ দক্ষতাৰ প্ৰমাণ আছে। তদুপৰি এই দুগৰাকী লেখিকাৰ সাদৃশ্য থকা আন এটা বৈশিষ্ট্য হ'ল চৰিত্ৰৰ গভীৰতালৈ প্ৰৱেশ কৰি পাঠকক চৰিত্ৰৰ মনৰ জগতখনৰ সন্ভেদ দিবলৈ কৰা প্ৰয়াস। অণিমা দত্তৰ গল্পৰ সম্পৰ্কত প্ৰহ্লাদ কুমাৰ বৰুৱাৰ এইষাৰ কথা উল্লেখ কৰিব পাৰি – "অণিমা দত্তৰ বহুবোৰ গল্পত নৰ-নাৰীৰ প্ৰেমৰ আৱেদন এটা অনুভৱ কৰা যায়। কিন্তু অণিমা দত্তৰ গল্পৰ নৰ-নাৰীৰ প্ৰেম ৰোমান্টিক আৱেশেৰে পাৰ ভঙা উতলা প্ৰেম নহয়।"[৪৭২]

বাস্তৱবাদী দৃষ্টিভংগীৰে গল্প লিখা অণিমা দত্তৰ *ৰামধেনু*ৰ পাতত প্ৰকাশিত এটা সাৰ্থক গল্প 'অস্ত আকাশ'[৪৭৩]। ইয়াত পৰিবেশ পৰিস্থিতিৰ হাতত নিৰ্মমভাৱে প্ৰতাৰিত হোৱা এজনী ছোৱালী বনজাৰ স্বপ্নভংগৰ বতৰা আছে। পলাশ বৰুৱা নামৰ এজন জনপ্ৰিয় কবিৰ সৈতে কলেজত পঢ়ি থকা সময়তে বনজাৰ চিঠিপত্ৰেৰে হিয়াৰ আদান প্ৰদান হৈছিল। পলাশে সেইসময়ত মেডিকেল কলেজত পঢ়িছিল। দুবছৰমানৰ পিছত পলাশে খুব সহজতেই বনজাক পাহৰি পেলালে যদিও বনজাই পাহৰিব নোৱাৰি সেই অতীতটোকে লৈ সাৱটি থাকিল। কেইবছৰমানৰ পিছত হঠাতে এদিন বনজাই আৱিষ্কাৰ কৰিলে ডাক্তৰ পলাশ বৰুৱা সিহঁতৰ তেনেই কাষৰ ঘৰটোতে থাকিবলৈ আহিছে। বনজা আনন্দত আত্মহাৰা হৈ পৰিল। আনহাতে পলাশে কিন্তু নিতান্ত অচিনাকীৰ দৰেই তাইৰ সৈতে ব্যৱহাৰ কৰিলে। খং আৰু অভিমানত হিতাহিত জ্ঞান হেৰুৱাই পেলোৱা বনজাই পলাশক এদিন ভালকৈয়ে কথা শুনালে আৰু তাৰ পিচতহে গম পালে যে সেইজন আচলতে পলাশ নহয় পলাশৰ যঁজা ভায়েক ডাক্তৰ পৰশ বৰুৱাহে। পলাশে ইতিমধ্যে বিয়া-বাৰু কৰাই সংসাৰী হৈছে।

'অৱশ্যম্ভাৱী'[৪৭৪] অণিমা দত্তৰ আন এটা গল্প। ইয়াত গাঁৱলৈ ডাক্তৰ হিচাপে যোৱা ৰাজীৱৰ সৈতে কাষৰ ঘৰৰ ছোৱালী চম্পাকলিয়ে একপক্ষীয়ভাৱে প্ৰেমৰ সম্পৰ্ক গঢ়ি তোলে আৰু তাইৰ

---

৪৭২। প্ৰহ্লাদ কুমাৰ বৰুৱা – *অসমীয়া চুটিগল্পৰ অধ্যয়ন*, পৃঃ ৩২৪

৪৭৩। আণিমা দত্ত – 'অস্ত আকাশ', *ৰামধেনু*, ১৪শ বছৰ, ৭ম সংখ্যা

৪৭৪। অণিমা দত্ত – 'আৱশ্যম্ভাৱী', *ৰামধেনু*, ১৩শ বছৰ, ২য় সংখ্যা

যুৱখনেও তাইৰ এই প্ৰচেষ্টাত সঁহাৰি জনায়। অৱশেষত এদিন ৰাজীৱৰ প্ৰেমিকাৰ ফটো এখন দেখি কল্পোকলিৰ ভুল ভাঙে আৰু ৰাজীৱেও সোনকালে তাৰ বিয়াৰ বন্দোবস্ত কৰিবলৈ তাৰ মাকলৈ বুলি চিঠি লিখে।

এই দুয়োটা গল্পতে গল্পকাৰ অণিমা দত্তই বাস্তৱ জীৱনৰ পটভূমিত কাহিনী আগবঢ়াই লৈ গৈছে। কাহিনীত গুৰুত্ব দিয়া হৈছে যদিও এটা মাথোন কেন্দ্ৰীয় ভাৱকে অৱলম্বন হিচাপে লোৱা হেতুকে গল্পৰ ভাৱবস্তুৰ ঐক্য কতো ক্ষুণ্ণ হোৱা নাই। ইয়াত প্ৰকাশ পোৱা প্ৰেম-প্ৰণয়ৰ চিত্ৰখন বাস্তৱসন্মত। সাধাৰণ মানুহৰ দৈনন্দিন জীৱনৰ এটা অংগ হিচাপে ইয়াত প্ৰেমক প্ৰতিষ্ঠা কৰা হৈছে। দুয়োটা গল্পতে লেখিকাই গল্পৰ উৎকণ্ঠা আৰু পৰিণতিমুখী ঐক্যক অত্যন্ত সফলতাৰে ৰক্ষা কৰিব পাৰিছে আৰু ইয়াতেই লেখিকাৰ দক্ষতা ফুটি উঠিছে।

প্ৰবীণা শইকীয়াৰ *ৰামধেনু*ৰ পাতত প্ৰকাশিত এটা বিখ্যাত গল্প হৈছে 'কৰব কাহেৰি সাৰ'[৪৭৫]। ইয়াত স্বৰাজোত্তৰ কালত বিস্তৃতি লাভ কৰিব ধৰা ভ্ৰষ্টাচাৰৰ শ্লেষাত্মক ছবি অংকিত হৈছে। তাৰ লগতে গল্পকাৰে কিদৰে সন্দেহৰ বীজে মগজুত বাঁহ লোৱাৰ পিছত হিতাহিত জ্ঞান শূন্য হৈ পৰি উন্মাদপ্ৰায় হৈ নায়িকাই নিজৰ ক্ষতি কৰিছে – তাৰ মনস্তাত্ত্বিক আৰু বাস্তৱসন্মত বিৱৰণ দাঙি ধৰিছে। নায়কাগৰাকী পাৰুল, হাজৰিকাৰ পত্নী। তেওঁৰ পুত্ৰ দিলীপে এদিন অফিচাৰ পিতৃ হাজৰিকাক 'এক্সটেনচন'ৰ অৰ্থ সুধিছিল। কিয়নো সিহঁতৰ ঘৰলৈ টেলিফোনৰ এক্সটেনচন লাইন আহিছিল। হাজৰিকাৰ ঘৰ আচবাব পত্ৰ আদি সকলোবোৰেই আছিল তেওঁৰ অফিচৰ এক্সটেনচন। স্বামীৰ এই ভ্ৰষ্টাচাৰত পাৰুলৰো সঁহাৰি আছিল। পিছত যেতিয়া হাজৰিকাই ঘৰৰে কোঠালি এটা তেওঁৰ অফিচৰে কৰ্মচাৰী নীলিমা ভট্টক ভাৰালৈ দিলে, তেতিয়াহে এই অভূতপূৰ্ব এক্সটেনচনে পাৰুলৰ চকু মুকলি কৰি দিলে। তেওঁৰ অন্তৰ ঈৰ্ষা, বেদনা আৰু আক্ৰোশেৰে জৰ্জৰিত হৈ পৰিল। সপোনে-শয়নে আনকি দিঠকতো তেওঁ হাজৰিকা আৰু নীলিমা ভট্টক একেলগে দেখিবলৈ পালে। এদিন মনৰ অস্থিৰতাৰ চৰম অৱস্থাত তেওঁ উতলি থকা গাখীৰৰ ফেন বাগৰি পৰা বৰ্তুলহীটোৰ কাণত ধৰি শুদা হাতেৰে নমাবলৈ চেষ্টা কৰোঁতে উতলা গাখীৰৰ পাত্ৰ উবুৰি হৈ তেওঁৰ শৰীৰৰ গভীৰ স্তৰলৈ সোমাই গ'ল। আৰু এইদৰেই তেওঁৰ ইমানদিনীয়া সুখ-শান্তি -সমৃদ্ধিৰ সৌধ ধূলিস্যাৎ হৈ বাগৰি পৰিল। তেতিয়াহে পাৰুলে উপলব্ধি কৰিলে যে স্বামীৰ ভ্ৰষ্টাচাৰত পৰোক্ষভাৱে

৪৭৫। প্ৰবীণা শইকীয়া – 'কৰব কাহেৰি সাৰ', *ৰামধেনু*, ১৫শ বছৰ, ৪ৰ্থ সংখ্যা

হ'লেও সহায়-সহযোগ কৰি তেওঁ যি ভুল কৰিলে তাক শুধৰোৱাৰ উপায় ইতিমধ্যে উকলি গৈছে।

এই গল্পটোক গল্পৰ কাৰিকৰী কৌশল আৰু শিল্পকলাৰ ফালৰ পৰা এটা উৎকৃষ্ট গল্প বুলি কব পাৰি। আকস্মিক আৰম্ভণি, নাটকীয় সামৰণি, পৰিণতিমুখী উৎকণ্ঠা, এটা কেন্দ্ৰীয় ভাৱ, লক্ষ্যৰ একমুখিতা আৰু ফলশ্ৰুতিৰ একময়তা, শ্লেষৰ সাৰ্থক তথা সুন্দৰ প্ৰয়োগ আদিয়ে 'কৰব কাহেৰি সাৰ' ক এখন উচ্চ আসনত উপবিষ্ট কৰাইছে। সমাজ সংস্কাৰকামী এটা দৃষ্টিভংগীয়েও এই গল্পটোত পৰোক্ষভাৱে ক্ৰিয়া কৰা পৰিলক্ষিত হয়। এই সকলোবোৰৰ উপৰিও গল্পটোত প্ৰকাশ পাইছে – লেখিকাগৰাকীৰ চৰিত্ৰৰ গভীৰতালৈ প্ৰৱেশ কৰি চৰিত্ৰৰ মনোজগতৰ সম্ভেদ দিবপৰাৰ নৈপুণ্য। গল্পটোত শ্লেষৰ সুন্দৰ আৰু সাৰ্থক প্ৰয়োগ ঘটাই অভিনৱত্ব অনাতো লেখিকা সফল হৈছে। টেলিফোনৰ পৰা আদি কৰি ঘৰুৱাআচবাব-পত্ৰ সকলোবোৰেই হাজৰিকাৰ অফিচৰ 'এক্সটেনচন' স্বৰূপে লাভ কৰা, গতিকে শেষত যেতিয়া অফিচৰে কৰ্মচাৰী নীলিমা ভট্ট তেওঁৰ ঘৰত থাকিবলৈ আহিলে তেতিয়া হাজৰিকাই মাথো কামনা কৰিছিল পুতেক দিলীপে যাতে নোসোধে যে এই মানুহগৰাকীৰ নামো 'এক্সটেনচন' নেকি !

# নিৰোদ চৌধুৰী, ইমৰাণ শ্বাহ আৰু ছাইদুল ইছলাম

প্ৰেমক গল্পৰ মূল বিষয়বস্তু হিচাপে গ্ৰহণ কৰা জনপ্ৰিয় গল্পকাৰ নিৰোদ চৌধুৰী, ইমৰাণ শ্বাহ আৰু ছাইদুল ইছলামৰ গল্পৰ মাজত কিছুমান সাদৃশ্য পৰিলক্ষিত হয়। তিনিওজনৰে গল্পৰ মূল উপজীব্য প্ৰেম আৰু সেই প্ৰেমৰ পটভূমি হ'ল মধ্যবিত্ত সমাজখন। সাধাৰণ মানুখিনিৰ সা-সামস্যা, আশা-আকাংক্ষাক লৈ গল্প ৰচনা কৰা এই কেইজন গল্পকাৰৰ ৰচনাত জীৱনৰ গভীৰ সত্যানুসন্ধানৰ প্ৰতি উদাসীনতা লক্ষ্য কৰা যায়। আনহাতে তেওঁলোকৰ শব্দ চয়ন, গল্প কোৱাৰ ৰীতি, মনোগ্ৰাহী উপস্থাপনে পাঠকৰ মন সহজতে আকৰ্ষণ কৰিব পাৰে। সুখপাঠ্যতা এইকেইজন লেখকৰ ৰচনাৰ বৈশিষ্ট্য বুলি ক'ব পাৰি। *ৰামধেনু*ত প্ৰকাশিত গল্পৰ সংখ্যা এইকেইজন গল্পকাৰৰ বেছি নহয়।

১৯৩৫ চনত ডুমডুমাত জন্ম গ্ৰহণ কৰা চৌধুৰীয়ে কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিষয়ত এম. এ. পঢ়িবলৈ লয় যদিও আধৰুৱা হৈ ৰয়। ১৯৫৫ চনত অসম ট্ৰিবিউন গোষ্ঠীৰ *আসাম ট্ৰিবিউন* কাকতৰ লাইব্ৰেৰিয়ান হিচাপে যোগদান কৰি ১৯৯১ চনত তেওঁ ট্ৰিবিউন গোষ্ঠীৰে অন্যতম সাদিনীয়া বাতৰি কাকত *অসমবাণী*ৰ সম্পাদক হৈ ১৯৯৩ চনত অৱসৰ গ্ৰহণ কৰে। ২০০০ চনত এইজন জনপ্ৰিয় সাহিত্যিকৰ দেহাৱসান ঘটে।

ৰামধেনু যুগতে গল্প লিখিবলৈ আৰম্ভ কৰা যশস্বী গল্পকাৰ নিৰোদ চৌধুৰীৰ উল্লেখযোগ্য গল্প সংকলন কেইখন হ'ল – *মোৰ গল্প* , *হংসমিথুন (১৯৬৭), বায়ু বহে পূৰবৈয়া* , *হীৰাপান্না (১৯৭০), নিৰোদচৌধুৰীৰ নিৰ্বাচিত গল্প (১৯৮৩), নিশিগন্ধা (১৯৬৬), চামেলি মেমচাব* ইত্যাদি। *নাম ৰাখিলো বাসৱী (১৯৬৯), পানী (১৯৭০), কালহীৰা(১৯৬৯) ,স্তব্ধ বৃন্দাবন (১৯৬৮) ,দেৱী (১৯৬৯), জটায়ু (১৯৭১)* নিৰোদ চৌধুৰীৰ উল্লেখনীয় উপন্যাস ৰাজি। ইয়াৰ উপৰিও নিৰোদ চৌধুৰীয়ে *অসমীয়া প্ৰেমৰ গল্প* নামেৰে এখন গল্পসংকলন সম্পাদনা কৰি উলিয়াইছে। অসমৰ চলচিত্ৰ জগতৰ সৈতেও ওতঃপ্ৰোত ভাৱে জড়িত এইজন সাহিত্যিকৰ কাহিনীৰ আধাৰত নিৰ্মিত অসমীয়া ছবিকেইখন হ'ল – চামেলি মেমচাব, পানী, মন প্ৰজাপতি, বনহংস আৰু কাঁচঘৰ । *অসমীয়া বোলছবিৰ ইতিহাস, লতা সুৰীয়া লতা* তেওঁৰ অন্যতম সাহিত্যকৃতি।

নিৰোদ চৌধুৰীৰ গল্পৰ ভাষাৰ সাৱলীলতা, কাব্যিক পৰিবেশ সৃষ্টি, চৰিত্ৰৰ মনস্তাত্বিক

বিশ্লেষণ, ঘটনাৰ একমুখিতা আৰু পৰিণতিমুখী উৎকণ্ঠা সৃষ্টি কৰিব পৰা দক্ষতাৰ ফলস্বৰূপে তেওঁ জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। গল্পৰ বিষয়বস্তু নিৰ্বাচনত বিশেষ নতুনত্ব নাই যদিও চৌধুৰীয়ে অসমৰ চাহবাগানৰ পটভূমিত কেইটামান সাৰ্থক আৰু আকৰ্ষণীয় গল্প লিখিছে। তেওঁৰ গল্পত থকা প্ৰেমৰ মধুৰ আবেদনে পাঠকৰ হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হয়। চৌধুৰীৰ গল্পৰ সম্পৰ্কে ত্ৰৈলোক্য নাথ গোস্বামীয়ে মন্তব্য দিছে – "নিৰোদ চৌধুৰীৰ গল্পবোৰ সুখপাঠ্য। কিন্তু দুই এটা গল্পৰ আৰম্ভণিতে অনাৱশ্যকীয় কিছু কিছু কথা সংযোগ কৰা চকুত পৰে। সেয়ে হ'লেও তেওঁৰ সৰহভাগ গল্পই ৰসোত্তীৰ্ণ হৈছে বুলি ক'ব পাৰি।"[৪৭৬] গভীৰ জীৱনবোধ নাথাকিলেও কিন্তু নিৰোদ চৌধুৰী তেওঁৰ গল্পৰ অনান্য বৈশিষ্ট্য কেইটাৰ বাবে গল্পকাৰ হিচাপে সফল হৈছে বুলি ক'ব পাৰি। *ৰামধেনু*ত প্ৰকাশিত তেওঁৰ এটা গল্প হৈছে 'দুয়ে দুয়ে চাৰি।'[৪৭৭]

১৯৩৩ চনত শিৱসাগৰৰ ধাই আলিত জন্ম গ্ৰহণ কৰা ইমৰাণ শ্বাহে ১৯৬২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। সম্প্ৰতি শিৱসাগৰ মহাবিদ্যালয়ৰ অধ্যাপক হিচাপে অৱসৰ গ্ৰহণ কৰা এইজন গল্পকাৰে ৰামধেনু যুগতে আত্মপ্ৰকাশ কৰে। *বন্দী বিহংগমে কান্দে* (১৯৫৫), *পিয়া মুখছন্দা* (১৯৫৯), *শিখাৰ মিনতি* (১৯৬০), *ইত্যাদি* (১৯৬৪), *পথিক* (১৯৯৫) ইমৰাণ শ্বাহৰ গল্প সংকলন। তেওঁৰ উল্লেখযোগ্য উপন্যাস ৰাজি – *সংগীতৰ সিপাৰে* (১৯৫২), *জোনাকৰ ছবি* (১৯৬০), *সাগৰিকা* (১৯৮৫), *জৱান বন্দী* (১৯৮৮), *ক্ৰান্তিৰেখা* (১৯৮৩) আৰু *অনমিতা* (১৯৮০)। কবি হিচাপেও এইজন সাহিত্যিক স্বনামধন্য। *বনবাসী* (১৯৫১) তেওঁৰ প্ৰকাশিত কবিতাপুথি। ইমৰাণ শ্বাহৰ গল্পত জীৱন জিজ্ঞাসা অনুভূত হয়। দৈনন্দিন জীৱনৰ কেতবোৰ সৰু সৰু সাধাৰণ ঘটনাৰ মাজেদিয়েই জীৱনক প্ৰতিফলিত কৰিবলৈ প্ৰয়াস কৰে তেওঁৰ গল্পত। প্ৰেমৰ বাহিৰেও সমকালীন সমাজখনৰ আৱৰ্জনাময় ৰূপটোৰ বিষয়েও ইমৰাণ শ্বাহ সচেতন। *ৰামধেনু*ত প্ৰকাশিত 'ভগ্নাংশ'[৪৭৮] এই প্ৰসংগত উল্লেখযোগ্য। তেনেদৰে আনজন গল্পকাৰ ছাইদুল ইছলামৰ গল্পতো সমাজৰ কদাকাৰ কদৰ্যৰূপটোৰ চিত্ৰ চিত্ৰিত হৈছে। দৰিদ্ৰ মানুহখিনিৰ বিশেষকৈ নাৰীৰ

---

৪৭৬। ত্ৰৈলোক্য নাথ গোস্বামী – *আধুনিক গল্প সাহিত্য*, পৃঃ ১৯৮

৪৭৭। নিৰোদ চৌধুৰী – 'দুয়ে দুয়ে চাৰি', *ৰামধেনু*, ৪ৰ্থ বছৰ, ৯মসংখ্যা

৪৭৮। ইমৰাণ শ্বাহ– 'ভগ্নাংশ', *ৰামধেনু*, ১৮শ বছৰ, ২য় সংখ্যা

মনস্তাত্বিক বিশ্লেষণ দাঙি ধৰিবলৈকো ছাইদুল ইছলামে যত্ন কৰা দেখা যায়। 'তুঁহ-জুই'[৪৭৯] গল্পটো এই প্ৰসংগত উল্লেখ কৰিব পাৰি। দৈনন্দিন জীৱনৰ অতি সাধাৰণ বিষয়বস্তুক লৈ গল্প ৰচনা কৰা গল্পকাৰ ৰিজু হাজৰিকাৰ গল্পৰ পটভূমি সাধাৰণতে গাঁৱলীয়া সমাজক কেন্দ্ৰ কৰি গঢ়ি উঠা পৰিলক্ষিত হয়। *ৰামধেনু*ত প্ৰকাশিত 'সুন্দৰ লতা'[৪৮০], 'কলিৰ কুন্তী'[৪৮১] আদি গল্পত অসমৰ গাঁৱলীয়া সমাজখনৰ চিত্ৰবৎ বৰ্ণনা আছে। ৰিজু হাজৰিকাৰ গল্পৰ আন এটা বিশেষভাৱে উল্লেখনীয় বৈশিষ্ট্য হৈছে হাস্য ব্যংগৰ প্ৰাধান্য। *ৰামধেনু*ত প্ৰকাশিত 'লাজ লগাৰ কাৰণে'[৪৮২], গল্পটো এই প্ৰসংগত উল্লেখযোগ্য।

৪৭৯। ছাইদুল ইছলাম – 'তুঁহ-জুই', *ৰামধেনু*, ১৪শ বছৰ, ৫ম সংখ্যা

৪৮০। ৰিজু হাজৰিকা – 'সুন্দৰ লতা', *ৰামধেনু*, ১৩শ বছৰ, ৬ষ্ঠ সংখ্যা

৪৮১। ৰিজু হাজৰিকা – 'কলিৰ কুন্তী', *ৰামধেনু*, ১৪শ বছৰ, ৬ষ্ঠ সংখ্যা

৪৮২। ৰিজু হাজৰিকা – 'লাজ লগা কাৰণে', *ৰামধেনু*, ১৯শ বছৰ, ২য়-৩য় সংখ্যা

# ৰুণু বৰুৱা, বাসন্তী বৰুৱা আৰু আলিমুন্নিছা পিয়াৰ

ৰুণু বৰুৱা, বাসন্তী বৰুৱা আৰু আলিমুন্নিছা পিয়াৰ - *ৰামধেনুৰ* পাতত গল্প লিখি জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হোৱা অন্য তিনিগৰাকী গল্পকাৰ ।

১৯৩১ চনত নগাঁৱত জন্মগ্ৰহণ কৰা ৰুণু বৰুৱা ৰামধেনু যুগৰ এগৰাকী প্ৰসিদ্ধ গল্প লেখিকা । তেওঁৰ দুখন গল্প সংকলন- **শকুন্তলাৰ ডায়েৰী** (১৯৬০) আৰু **শৰ্বৰীৰ স্বপ্ন** (১৯৬৫) । নিজান ঘাট (১৯৬৬), জতুগৃহ (১৯৭৬) এইগৰাকী লেখিকাৰ প্ৰকাশিত উপন্যাস ।

ৰুণু বৰুৱাৰ গল্পত সাধাৰণতে নাৰীৰ মনোজগতৰ ভিতৰলৈ প্ৰৱেশ কৰাৰ প্ৰযত্ন পৰিলক্ষিত হয় । মানবীয় চেতনা আৰু আদৰ্শৰ প্ৰতি থকা পৰাকাষ্ঠাই তেওঁৰ গল্পবোৰত সততে ক্ৰিয়া কৰে । লেখিকাৰ গল্পৰ চৰিত্ৰবোৰ সজীৱ আৰু সক্ৰিয় । বিষয়বস্তুৰ বৰ্ণনাতো তেওঁ সংযমৰ পৰিচয় দিছে । কাহিনীৰ গাঁঠনিও আটিল । অনাৱশ্যক বৰ্ণনাই তেওঁৰ গল্প ভাৰাক্ৰান্ত কৰি নোতোলে । এটি কেন্দ্ৰীয় ভাবে ক্ৰিয়া কৰাৰ বাবে তেওঁৰ গল্পবোৰ পৰিণতিমুখী উৎকণ্ঠা ৰক্ষাৰ ক্ষেত্ৰতো সফল হৈছে বুলি ক'ব পাৰি ।

'মহিয়সী' আৰু 'পৰিচয়' ৰুণু বৰুৱাৰ দুটা উল্লেখযোগ্য গল্প । এই দুয়োটাতে নাৰীমনৰ বিচিত্ৰতাক দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে । 'পৰিচয়'[৪৮৩] মি. বৰুৱাৰ অফিচত চাকৰি কৰা পান্নাৰ প্ৰতি বৰুৱাৰ আগ্ৰহ আৰু স্নেহৰ সীমা নাই । অথচ এইবোৰৰ প্ৰতি পান্না তেনেই নিৰাসক্ত । নম্ৰ, ভদ্ৰ আৰু দৃঢ় মনৰ অধিকাৰী পান্নাই তেওঁৰ লগত যথেষ্ট দূৰত্ব ৰাখিবলৈ যত্ন কৰে । বৰুৱাই যাচি দিয়া আত্মীয়তাখিনি পান্নাই সদায়েই প্ৰত্যাখ্যান কৰে । এবাৰ মাকৰ অসুখৰ বাবে তাই ছুটী লয় আৰু কোনো খা-খবৰ নিদিয়াকৈয়ে চাকৰি বাদ দিয়ে । বৰুৱায়ো লাহে লাহে পান্নাৰ কথা পাহৰি পেলায় । বহুত দিনৰ মূৰত হঠাৎ এদিন পান্না বৰুৱাৰ ওচৰলৈ আহে- লগত তাইৰ ভাবী স্বামী অৰন্দিল । অভাৱনীয়ভাৱে পান্নাই তেওঁৰ নিজৰ জন্মৰহস্য ব্যাখ্যা কৰি কয় যে তাই প্ৰকৃততে বৰুৱাৰেই অবৈধ সন্তান । বৰুৱাৰ এসময়ৰ প্ৰেমৰ পাত্ৰী মনোলতা তাইৰেই মাক । বৰুৱাৰ প্ৰেমৰ বিনিময়ত মনোলতা আৰু পান্নাই আজন্ম দুখ আৰু লাঞ্ছনাৰ বাহিৰে আন একো নাপালে । জীৱনত এক তীব্ৰ অসন্মানবোধৰ পৰা তাই আৰু মাক কেতিয়াও মুক্ত হ'ব নোৱাৰিলে । টি. বি. বেমাৰত ভুগি মনোলতাক অৱশেষত মৃত্যুয়েই শেষ আশ্ৰয় দিলেহি । পান্নাক যিঘৰ মানুহে ডাঙৰ-দীঘল কৰিলে, সেইঘৰৰেই সম্পৰ্কীয় ডেকা অৰন্দিলে তাইক বিয়া কৰিবলৈ সাহস দেখুৱাব পাৰিলে । গল্পটোৰ শেষত বৰুৱাই উপযাচি দিয়া বৃহৎ পৰিমাণৰ সম্পত্তিক নেওচা দি পান্না আৰু অৰন্দিল ওলাই আহিছে । এই গল্পটোত

৪৮৩। ৰুণু বৰুৱা- 'পৰিচয়', *ৰামধেনু*, ১০ম বছৰ, ৪ৰ্থ সংখ্যা ।

চাৰিত্ৰিক বৈশিষ্ট্যৰ প্ৰকাশত লেখিকা সফল হৈছে । গল্পৰ আৰম্ভণিৰ উৎকন্ঠা শেষলৈকে অব্যাহত আছে । কথাবস্তুৰ বৰ্ণনাতো লেখিকাই সংযমৰ পৰিচয় যিদৰে দিব পাৰিছে সেইদৰে পান্নাৰ চৰিত্ৰাংকণতো দক্ষতাৰ প্ৰমাণ দিছে । পান্নাক আশ্ৰয় দিয়া খাছীয়া পৰিয়ালটোৰ মানবতাবোধ সমগ্ৰ গল্পটোত অন্তৰ্নিৰ্হিত হৈ আছে । 'মহীয়সী'[৪৮৪] ৰুণু বৰুৱাৰ আন এটা গল্প । ইয়াত জন জাহাবৰ পত্নী বনুৰা ছোৱালী সৰলাই সতিনীয়েক ষ্টেলাৰ বুকুৰ পৰা নিজৰ পুত্ৰ ৰবাৰ্টক আজুৰি আনিবলৈ গৈও শেষ মুহূৰ্তত মাতৃৰ মমতাক পৰিহাৰ কৰিছে আৰু ৰবাৰ্টৰ ভৱিষ্যতৰ কথা চিন্তা কৰি দায়িত্ববোধকহে উচ্চাসন দিছে । ৰবাৰ্টৰ ভৱিষ্যতৰ চিন্তাত সৰলাই পুত্ৰস্নেহক আওকাণ কৰিছে কিয়নো বাগানৰ মেনেজাৰ জন জাহাব আৰু এখন সাধাৰণ বাগানৰ স্কুলত কাম কৰা শিক্ষয়িত্ৰীৰ মাজত আকাশ-পাতালৰ পাৰ্থক্য ! সেয়েহে পুত্ৰস্নেহক অস্বীকাৰ কৰি সৰলা একাকাৰ হৈ পৰিছে নিজৰ পুত্ৰসম অন্য ছাত্ৰসকলৰ মংগল চিন্তাত ।

ৰুণু বৰুৱাৰ গল্পৰ প্ৰসংগত প্ৰহ্লাদ কুমাৰ বৰুৱাৰ মন্তব্য উল্লেখ কৰিব পাৰি- 'ৰুণু বৰুৱাৰ গল্পৰ ভাৱবস্তুৰ দুটা দিশ অতি স্পষ্ট হৈ ধৰা দিয়ে । এটা হ'ল আদৰ্শ জীৱন স্পৃহা আৰু আনটো হ'ল গভীৰ মানৱিক চেতনা ।[৪৮৫]

*ৰামধেনুৰ* পাতত আত্মপ্ৰকাশ কৰা আনগৰাকী লেখিকা বাসন্তী বৰুৱাৰ গল্পৰ বিষয়বস্তু হ'ল মানুহৰ বিচিত্ৰ মানসিকতাৰ বিচাৰ-বিশ্লেষণ । *ৰামধেনুত* প্ৰকাশিত বৃদ্ধ বয়সৰ মনস্তত্ব প্ৰকাশক সাৰ্থক গল্প হিচাপে বাসন্তী বৰুৱাৰ 'সম্ৰাট'[৪৮৬] গল্পটো বিশেষভাৱে উল্লেখযোগ্য ।

১৯৪১ চনত নাজিৰাৰ বামুণ পুখুৰী বাগানত জন্ম গ্ৰহণ কৰা বাসন্তী বৰুৱাই নাজিৰা ছোৱালী হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰি গুৱাহাটীৰ সন্দিকৈ ছোৱালী কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে । ৰামধেনু যুগৰ এইগৰাকী বিশিষ্ট গল্পকাৰৰ একমাত্ৰ প্ৰকাশিত গল্প সংকলনখন হৈছে 'ঘৰচিৰিকাৰ ক্ৰন্দন' (১৯৮০) ।

পত্নীৰ মৃত্যুৰ পিছত কৃষ্ণানন্দ বৰুৱাই ক্ৰমান্বয়ে অনুভৱ কৰিবলৈ ল'লে যে বুঢ়া হৈ অপ্ৰয়োজনীয় হৈ অহাৰ লগে লগে তেওঁৰ মূল্য তেনেই কমি গৈছে । যিহেতু তেওঁ এজন বৃদ্ধ আৰু অক্ষম ব্যক্তি, গতিকে সকলোৰে বাবে তেওঁ অবাঞ্চিত আৰু অৱহেলিত । এইবোৰ অনুভৱে কৃষ্ণানন্দ বৰুৱাক অভিমানী কৰি তোলে আৰু এদিন হঠাৎ তেওঁ জ্বৰত পৰে । দেউতাকৰ অসুখৰ খবৰ পায়েই দূৰ-দূৰণিত থকা আটাইকেইজন পুতেক-বোৱাৰীয়েক আৰু বিয়া দিয়া জী-জোঁৱাইহঁত ঢপলিয়াই আহি

---

৪৮৪। ৰুণু বৰুৱা - 'মহিয়সী', *ৰামধেনু*, ১২শ বছৰ, ২য় সংখ্যা ।

৪৮৫। প্ৰহ্লাদ কুমাৰ বৰুৱা - *অসমীয়া চুটিগল্পৰ অধ্যয়ন*, পৃঃ ৪১৫ ।

৪৮৬। বাসন্তী বৰুৱা - 'সম্ৰাট', *ৰামধেনু*, ১৫শ বছৰ, ১২শ সংখ্যা ।

ঘৰ পালেহি । পিতৃৰ শুশ্ৰূষাত সকলোবোৰ ব্যস্ত হৈ পৰিল । পো-বোৱাৰী, জী-জোঁৱাইহঁতৰ শ্ৰদ্ধা আৰু স্নেহ,নাতি-নাতিনীহঁতৰ মৰম-আদৰত কৃষ্ণানন্দ বৰুৱাই সোনকালেই আৰোগ্য লাভ কৰিলে- দেহৰ অসুস্থতাৰ পৰাও আৰু লগতে মনৰ পৰাও । তেওঁৰ আগৰ ভুল ভাঙিল । তেওঁ বুজি পালে যে তেওঁ অকলশৰীয়া নহয়, কোনেও তেওঁক তিলমাত্ৰও অৱজ্ঞা নকৰে- কেৱল কামৰ তাগিদাতহে সকলোৱে দূৰে দূৰে থাকে । বৃদ্ধাৱস্থাৰ মানসিকতাৰ এই দিশটো পোহৰলৈ অনাৰ ক্ষেত্ৰত গল্পকাৰ বৰুৱা সক্ষম হৈছে ।

বৃদ্ধ বয়সৰ মনস্তত্বক লৈ ভালেমান গল্প লিখা হৈছে যদিও সাধাৰণতে দেখা যায় সেইবোৰ গল্পত প্ৰকাশিত বৃদ্ধৰ নিঃসংগ চেতনাত জীৱন সম্পৰ্কে নেতিবাচক দৃষ্টিভংগী আৰু বিষাদবোধেহে ক্ৰিয়া কৰে । এই ক্ষেত্ৰত বাসন্তী বৰুৱাৰ এই গল্পটো এক মধুৰ ব্যতিক্ৰম । ইয়াৰ বৃদ্ধৰ নিঃসংগ চেতনাক ইতিবাচক দৃষ্টিৰে পাৰিবাৰিক মৰম, স্নেহ আৰু সহৃদয়তাৰে উপশম কৰা হৈছে ।

মানুহৰ মনোজগতৰ মৌলিক অনুভূতি প্ৰকাশক বাসন্তী বৰুৱাৰ আন এটা সাৰ্থক গল্প হৈছে 'ভগ্নী'[৪৮৭] । 'সম্ৰাট'ৰ দৰে কিন্তু ইয়াত ইতিবাচক দৃষ্টিভংগীৰে কাহিনীৰ সমাপন ঘটা নাই । পাঁচগৰাকী অৱস্থাপন্ন ভগ্নীৰ মাজত এগৰাকী কৃষ্ণাৰ অৱস্থা তুলনামূলকভাৱে বেয়া । তেওঁৰ স্বামী সৌৰভৰো অত্যন্ত আত্মসন্মানবোধৰ বাবে চাকৰি-বাকৰিৰ কোনো নিশ্চয়তা নাথাকে । সেয়েহে অলপ থান-থিত নলগালৈকে তেওঁ জানি-শুনিয়েই কিবা-কিবি অজুহাত দেখুৱাই কৃষ্ণাক ল'ৰা-ছোৱালীকেইটিৰ সৈতে কৃষ্ণাৰ পিতৃগৃহত কেইমাহমানৰ বাবে থৈ যায়হি । কৃষ্ণাৰ দেউতাক চহকী মানুহ - সদায় তাতে থাকিলেও তেওঁলোকৰ আপত্তি নাই । কিন্তু এদিন মাকহঁত নাথাকোতে নিজৰ ঘৰত আটাইকেইজনী ছোৱালী ফুৰিবলৈ আহি লগ লগাৰ পিছত কৃষ্ণাই বাকীবোৰে তেওঁলোকক লৈ কৰা ৰূঢ় সমালোচনা শুনিবলৈ পায় । তৎক্ষণাৎ তেওঁৰ আত্মসন্মানত আঘাত লাগে আৰু পিচদিনাই তেওঁ ল'ৰা-ছোৱালীকেইটিক লৈ পিতৃগৃহৰ পৰা গুচি যায় । সহোদৰা ভগ্নী হোৱা সত্বেও ইয়াত কৃষ্ণাৰ দুখ বা তেওঁৰ নিৰুপায় অৱস্থা বাকী কেইগৰাকীয়ে নুবুজিলে - অথচ তেওলোকৰো মাকৰ ঘৰহে । য'ত মাক-দেউতাকেই কাহানিও আপত্তি নকৰিলে, - এদিন ফুৰিবলৈ আহিয়েই বায়েক-ভনীয়েকহঁতে কৰা কটু আলোচনা কৃষ্ণাৰ বাবে অসহনীয় হৈ পৰিল । গল্পটোৰ সংগত গাঁথনি, ভাৱবস্তুৰ সুক্ষ্মতা, বৰ্ণনাৰ মিতব্যয়িতা, উৎকন্ঠাৰ প্ৰাবল্যৰ বাবেও 'ভগ্নী' বাসন্তী বৰুৱাৰ অন্যতম সাৰ্থক গল্প হিচাপে পৰিগণিত হৈছে ।

ৰামধেনু যুগৰ অন্যতম গল্পকাৰ আলিমুন্নিছা পীয়াৰৰ জন্ম ১৯৩৫ চনত গুৱাহাটীৰ শান্তিপুৰত । পাণবজাৰ ছোৱালী হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰি কটন কলেজনৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰা শ্ৰীমতী পীয়াৰে ১৯৬৪ চনত অসমীয়া সাহিত্যত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ

৪৮৭। বাসন্তী বৰুৱা- 'ভগ্নী', *ৰামধেনু*, ১৫শ বছৰ, ১০ম সংখ্যা ।

ডিগ্ৰী লাভ কৰে । এইগৰাকী সাহিত্যিকৰ উল্লেখযোগ্য সাহিত্য কৃতি সমূহ হ'ল - *মাজনিশা তৰাই উৰুপে* (১৯৫৭), *কুঁহিলা* (১৯৫৬), *জীৱন সাগৰৰ উপকূল নাই* (উপন্যাস, ১৯৫২), *পোহৰৰ পথ* (১৯৬৩), *চেতনা* (১৯৯৭) ইত্যাদি । ইয়াৰে প্ৰথম দুখন গল্প সংকলন, তৃতীয়খন উপন্যাস আৰু বাকী দুখন প্ৰবন্ধচয়ন ।

আলিমুন্নিছা পীয়াৰৰ *ৰামধেনু*ত প্ৰকাশিত অৰ্থবহ নামকৰণেৰে ব্যঞ্জিত এটা ভাল গল্প 'কুঁহিলা'[৪৮৮]। ইয়াত গল্পৰ নায়িকা মীৰাৰ জীৱন বৰশীৰ বটিয়াত বান্ধি দিয়া কুঁহিলাৰ পুঙা সদৃশ । এনে অৰ্থময়তাৰে এটা সাধাৰণ কাহিনীক গল্পৰূপ দিব পৰাতে লেখিকাৰ সাফল্য পৰিস্ফুট হৈছে ।

মীৰা লোকৰ ঘৰত কাম-বন কৰা চাকৰণী ছোৱালী আৰু গল্পৰ নায়ক আব্দুল সেইঘৰতে খেতি কৰা হালোৱা । আব্দুল আৰু মীৰাৰ মাজত প্ৰণয় গঢ় লৈ উঠাৰ পিছত বিয়া হয় । বিয়াৰ দুমাহমানৰ পিছত এদিন মীৰাই আব্দুলক জানিবলৈ দিয়ে যে আগৰ মানুহঘৰত থাকোঁতেই মীৰা অন্তঃসত্বা হৈছিল । ফলস্বৰূপে মনৰ দুখত আব্দুলে ঘৰ এৰি গুচি যায় । মীৰাও ঘৰৰ পৰা ওলাই আহোঁতে হঠাতে গাড়ীৰ আগত পৰি তাইৰ গৰ্ভপাত হয় আৰু শেষত আশ্ৰয়হীনা মীৰাই বেশ্যাবৃত্তিকে জীৱিকা হিচাপে গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লয় ।

অতি সতেজ আৰু সক্ৰিয় চৰিত্ৰ আব্দুল আৰু বিশেষকৈ মীৰাৰ চৰিত্ৰ অংকনত লেখিকাই নিজৰ প্ৰতিভাৰ পৰিচয় দিছে । কৰ্মঠ আব্দুল আৰু মীৰাৰ সুখৰ সংসাৰখনৰ কল্পনা আৰু সকলোবোৰ জানি-শুনিও মীৰাই স্বামীৰ আগত দেখুওৱা সাহস আৰু নৈতিকতা অতি প্ৰত্যয়জনক- মীৰা চৰিত্ৰৰ চাৰিত্ৰিক বিশিষ্টতা ইয়াতে পুৰিস্ফুট হৈছে । তেনেই গতানুগতিক, নতুনত্বহীন সাধাৰণ কাহিনী এটাক কাষৰ সাৱলীলতাই সুখপাঠ্য কৰি তুলিছে- ইয়াৰ লগতে এই ক্ষেত্ৰত সহায়ক হৈছে চৰিত্ৰৰ মনস্তাত্বিক প্ৰকাশ আৰু গভীৰ মানবতাবোধ ।

---

৪৮৮। আলিমুন্নিছা পীয়াৰ - 'কুঁহিলা', *ৰামধেনু*, ৯ম বছৰ, ১৩ সংখ্যা ।

# নগেন শইকীয়া

একেধাৰে গল্পকাৰ, উপন্যাসিক, কবি, নাট্যকাৰ, সমালোচক, প্ৰবন্ধকাৰ হিচাবে স্বনামধন্য ড°নগেন শইকীয়াৰ জন্ম গোলাঘাটৰ হাতীয়েখোৱা গাঁৱত, ১৯৩৯ চনত। *ৰামধেনু*ৰ শেষৰ ফালে আত্মপ্ৰকাশ ঘটা ড°শইকীয়াৰ গল্প নিজস্ব বৈশিষ্ট্যৰে মহীয়ান। তেওঁৰ গল্পত ব্যক্তিমনৰ সূক্ষ্ম, জটিল আৰু বিচিত্ৰ অনুভূতি তথা উপলব্ধিৰে সিক্ত বিভিন্ন চৰিত্ৰৰ সাৰ্থক বিশ্লেষণৰ প্ৰয়াস পৰিলক্ষিত হয়।

সম্প্ৰতি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ লক্ষীনাথ বেজবৰুৱা অধ্যাপকৰূপে অৱসৰ গ্ৰহণ কৰা ড°নগেন শইকীয়াক ১৯৯৭ চনত বিলাসীপাৰা অধিবেশনৰ বাবে অসম সাহিত্য সভাই সভাপতি বৰণ কৰে। ১৯৬৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ উপাধি লাভ কৰা শ্ৰীশইকীয়াই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ১৯৮২ চনত ' A Critical Study of the Social and Intellectual Background of Modern Assamese Literature' শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে ডক্টৰেট ডিগ্ৰী লাভ কৰে।সাংবাদিকতাৰ জগতখনত চোগাচোৰোকাকৈ তেওঁ ভুমুকি মাৰিছে ।

১৯৯৯ চনত ড° নগেন শইকীয়াই তেওঁৰ গল্প সংকলন *আন্ধাৰত নিজৰ মুখ* (১৯৯১)ৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰে। তেওঁৰ অন্যান্য উল্লেখযোগ্য গল্প সংকলনসমূহ হ'ল - *কুবেৰ হাতীবৰুৱা* (১৯৬৭), *ছবি আৰু ফ্ৰেম* (১৯৬৯), *বন্ধ কোঠাৰ ধুমুহা* (১৯৭১), *অস্তিত্বৰ শিকলি* (১৯৭৬), *অপাৰ্থিৱ-পাৰ্থিৱ* (১৯৮২) ইত্যাদি। *ভগা ঘাট* (১৯৬৮) তেওঁৰ উপন্যাস। *মিতভাষ* (১৯৯৫) গদ্যত বাক্যৰ সম্পৰীক্ষাৰে অসমীয়া সাহিত্যলৈ তেওঁৰ এক অনন্য অৱদান।

*ৰামধেনু*ৰ শেষৰফালে পৰম্পৰাগত পদ্ধতিৰে গল্প লিখিবলৈ আৰম্ভ কৰি-বৰ্তমানলৈ নিৰৱচ্ছিন্নভাৱে লিখি থকা নগেন শইকীয়াৰ গল্পত পিছলৈ ব্যাপক পৰীক্ষা-নিৰীক্ষা লক্ষ্য কৰা যায়। গল্পৰ শৈলী আৰু আংগিকৰ ক্ষেত্ৰত এইজন গল্পকাৰে চমকপ্ৰদ সাফল্য লাভ কৰিছে। তেওঁৰ গল্পত দেখা পোৱা প্ৰচুৰ আংগিকৰ পৰীক্ষাৰ বিষয়ে আলোচনা কৰি গল্পকাৰজনে নিজে কৈছে -"মই আইডিয়া একোটাক মনোদ্বন্দ্বৰ মাজেৰে প্ৰকাশ কৰিব খোজো বাবেই ফৰ্ম নতুন হ'ব খোজে।"[৪৮৯] নগেন শইকীয়াৰ গল্পৰ ভাৱবস্তু তথা বিষয়বস্তু মাজে-সময়ে জটিল হ'ব খোজে যদিও সহজ-সৰল আৰু কাব্যিক বৰ্ণনা আৰু উপস্থাপনৰ

৪৮৯। নগেন শইকীয়া- *আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ*, পৃঃ ১৮৭

মাধুৰ্যই তেওঁ গল্পক হৃদয়স্পৰ্শী কৰি তোলে।

প্ৰচুৰ অধ্যয়ন আৰু অনুশীলনৰ জৰিয়তে প্ৰতিষ্ঠাৰ উচ্চ স্তৰত উপনীত হোৱা শইকীয়াৰ গল্পত লেখকৰ সামাজিক দায়িত্ব বা সমাজ সচেতনতাৰ দিশটো লক্ষণীয়। কেইবাজনো বিদেশী লেখকৰ ভাবাদৰ্শ শইকীয়াৰ গল্পত প্ৰত্যক্ষ কৰা যায়।

নিজৰ গল্প সম্পৰ্কে নগেন শইকীয়াই কৈছে - "বহুতে ভবাৰ দৰে আংগিকৰ পৰীক্ষা-নিৰীক্ষাৰ বাবে মই গল্প লিখা নাই। বৰং বিষয়বস্তুৰ বাঞ্ছাৰ ওপৰতহে আংগিক আৰু প্ৰকাশৰীতি নিৰ্ভৰ কৰিবলৈ দিছোঁ। পাঠকৰ আনন্দ নিশ্চয় সকলো লেখকৰে কাম্য; কিন্তু লিখাৰ সময়ত কোনোবা পাঠকে ভাল পাব আৰু কোনোবাই বেয়া পাব - এই ভাবি মই লিখা নাই।"[৪৯০] মানুহৰ সম্পৰ্কৰ স্থায়িত্বৰ বিপৰীতে আৱেগিক সম্পৰ্কৰ অৰ্থশূন্যতাৰ কথা শ্ৰীশইকীয়াই নিৰপক্ষভাৱে প্ৰত্যক্ষ কৰিছে। মনোজগত আৰু বাস্তৱ জগতৰ সমন্বয় সাধন কৰি গল্প লিখি এইজন গল্পকাৰ ব্যস্ত হৈ পৰে জীৱনৰ গভীৰ অন্বেষণত। মনঃসমীক্ষাত্মক অন্তৰ্দৃষ্টিৰে নগেন শইকীয়াই জীৱনৰ বৈচিত্ৰ্য গল্পত তুলি ধৰে।

সামাজিক ভণ্ডামি আৰু মধ্যবিত্ত সমাজখনৰ প্ৰতি বিদ্ৰূপ এইজন গল্পকাৰৰ গল্পৰ অন্যতম উল্লেখযোগ্য বিষয়বস্তু। *ৰামধেনু*ৰ পাতত প্ৰকাশিত 'মুখা' আৰু 'ৰামো নাই অযোধ্যাও নাই' গল্প দুটাত সমাজ ব্যৱস্থাৰ ক্ষয়িষ্ণু মানসিকতাকে মূল উপজীব্যৰূপে লোৱা হৈছে। 'মুখা'[৪৯১] গল্পৰ মিষ্টাৰ আৰু মিছেছ কাকতি তথাকথিত সমাজসেৱক। প্ৰত্যক্ষভাৱে উল্লেখ নকৰিলেও জনা যায় যে মি. কাকতি প্ৰচুৰ ৰাজনৈতিক ক্ষমতাসম্পন্ন ব্যক্তি। এসময়ত গাঁৱত জীৱন কটোৱা কাকতি পৰিয়ালত কাম কৰা মানুহৰ সংখ্যা সাতোটা। সংস্কৃতিৰ বিন্দু বিসৰ্গ নজনা মিছেছ কাকতিয়ে প্ৰায়ে সাংস্কৃতিক দলৰ নেতৃত্ব দি শুভেচ্ছা মিছনত আগভাগ লয়। ৰাজহুৱা মেলেমিটিঙে দৰিদ্ৰতা দূৰীকৰণৰ ওপৰত দিয়া আৱেগিক ভাষণেৰে দৰ্শকক কন্দুৱাব পৰা কাকতি দম্পতীৰ ঘৰত কিন্তু কাম কৰা আইধনহঁতৰ অৱস্থা তেনেই শেচনীয়। সিহঁতৰ আনকি খোৱা-পিন্ধাৰো অভাৱ - ভাল মাত এষাৰ দূৰৈৰ কথা। শোষিত আৰু পীড়িত আইধনে সেই যন্ত্ৰণাৰ মাজতো নিজৰ দুখৰ কথা পাহৰি আলহীৰ আগত কাকতি পৰিয়ালত থকা নিজৰ অবাধ ৰাজত্ব আৰু অধিকাৰবোধৰ কথা হাঁহি মুখে কৈ শুনায়। লেখকে উপলব্ধি কৰে এই পৃথিৱীত প্ৰত্যেক মানুহেই নিজকে

৪৯০। নগেন শইকীয়া- *আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ*, পৃঃ ১৮৭

৪৯১। নগেন শইকীয়া– 'মুখা', *ৰামধেনু*, ১৮ শ বছৰ, ৮ম সংখ্যা

প্ৰথম মুখাৰ আঁৰত লুকাই থবলৈ যত্ন কৰে - কোনোবাই দৰিদ্ৰতা আৰু কোনোবাই ভণ্ডামি।

'ৰামো নাই অযোধ্যাও নাই'[৪৯২] গল্পটোত গল্পকাৰে চহৰে-নগৰে, গাঁৱে-ভূঞে-সৰ্বত্ৰ দেখা দিয়া সাংস্কৃতিক অৱক্ষয়ৰ ছবিখন বাস্তৱসন্মত ৰূপত ফুটাই তুলিছে। পাশ্চাত্যৰ অন্ধ অনুকৰণত গাঁৱত গঢ়ি উঠা বিজতৰীয়া সংস্কৃতিক আদৰি লৈছে যুৱচামে। চকুৰ আগতে এই অধঃপতন দেখিও গাঁৱৰ বুঢ়া-মেথাসকলে নিৰ্বিকাৰচিত্তে চাই ৰৈছে। তেওঁলোক সঁচাকৈয়ে নিৰ্বিকাৰ - কাৰণ তেওঁলোকে বুজি পাইছে যে তেওঁলোকৰ সময় উকলি গৈছে - শক্তি শেষ হৈ গৈছে। এতিয়া নতুন যুগ আহিছে আৰু তেওঁলোক এই নতুন যুগৰ কেৱল নিৰ্বিকাৰ দৰ্শকহে। গাঁৱৰ স্বাভাৱিক জীৱনৰ মাদকতাৰে পৰিপূৰ্ণ শান্ত-সুন্দৰ পৰিৱেশৰ অৱলুপ্তি ঘটিছে। গাঁৱৰ ৰাইজে স্বাৱলম্বী হ'বলৈ এৰিলে - খেতি কৰিবলৈ এৰিলে, মাছ ধৰিবলৈ এৰিলে, গুৰুজনীয়া নৃত্য-গীতকো এলাগী বুলি আঁতৰাই থলে। পশ্চিমীয়া সভ্যতাৰ যিখিনি ভাল সেইখিনি গ্ৰহণ নকৰি বেয়াখিনি বুলিবলৈহে সকলো অগ্ৰসৰ হৈছে। - "মলি বন্ধ হৈ থকা বনিয়নৰ ওপৰত যেন আমি ধোবাই-ধোৱা কামিজ পিন্ধি ঘূৰি ফুৰিছো। আমাৰ সমাজ জীৱনক পংগু কৰি অনা গেলা ঘাক যেন বাহ্যিকতাৰ পাউডাৰ সানি ঢাকি ৰাখিছো।"[৪৯৩]

পৰম্পৰাগত পদ্ধতিৰে প্ৰথমাৱস্থাত গল্প ৰচনা কৰা এইজন গল্পকাৰে এই বিষয়ে এইদৰে কৈছে - "প্ৰথম অৱস্থাত মই কাহিনী কোৱাৰ যত্ন কৰিছিলো। চৰিত্ৰ আৰু ঘটনাক সকলো প্ৰকাৰে বিশ্বাসযোগ্য কৰাৰ চেষ্টাও আছিল। পিছলৈ পৰিৱেশক প্ৰাধান্য দিছিলোঁ আৰু শেষলৈ চৰিত্ৰত মনোদ্বন্দ্বই হৈ উঠিছে মোৰ গল্পৰ বিষয়।"[৪৯৪]

*ৰামধেনু*ত প্ৰকাশিত নগেন শইকীয়াৰ আন এটা গভীৰ মানৱীয় আবেদনপূৰ্ণ গল্প হ'ল 'ৰোগমুক্তি'[৪৯৫]। এই গল্পটোত লেখকৰ প্ৰখৰ সমাজচেতনা, পীড়িতজনৰ প্ৰতি সহানুভূতি আৰু মানৱীয় দৃষ্টিভংগী প্ৰকাশ পাইছে। মানৱীয় মূল্যবোধৰ অৱক্ষয়ৰ মনোজ্ঞ প্ৰকাশ ইয়াত আছে। তথাকথিত সভ্য সমাজত জীৱনৰ মান সম্পৰ্কে থকা ভ্ৰান্ত আৰু তৰল ধাৰণাক লেখকে উদঙাই দেখুৱাইছে। বিত্তীয়

৪৯২। নগেন শইকীয়া– 'ৰামো নাই অযোধ্যাও নাই', *ৰামধেনু*, ১৫শ বছৰ, ৮ম সংখ্যা

৪৯৩। নগেন শইকীয়া– 'ৰামো নাই অযোধ্যাও নাই', *ৰামধেনুৰ শ্ৰেষ্ঠ গল্প*, পৃঃ ২৬৭

৪৯৪। নগেন শইকীয়া– *আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ*, পৃঃ ১৮৭

৪৯৫। নগেন শইকীয়া– 'ৰোগমুক্তি', *ৰামধেনু*, ১৬ শ বছৰ, ৪ৰ্থ সংখ্যা

স্থূলতাই ক্রমে মানুহৰ জীৱনক দিক্‌ভ্ৰান্ত কৰি পেলাইছে, - অৰ্থসৰ্বস্ব জীৱনযাত্ৰাই তেওঁলোকক সম্পূৰ্ণৰূপে যান্ত্ৰিক কৰি পেলাইছে। গল্পটোত গোলাপৰ পৰিয়ালটোৱে তেওঁৰ শহুৰেকৰ ঘৰত কেৱল 'দুখীয়া' আৰু 'গাঁৱলীয়া' হোৱাৰ বাবেই তেওঁলোকৰ প্ৰাপ্য মৰম-স্নেহ-সন্মানৰ পৰা বঞ্চিত হৈছে। ধনী শহুৰেকৰ ঘৰখনত মানৱতাৰ লেশমানো অস্তিত্ব বিচাৰি পাবলৈ নাই আনকি গোলাপৰ দুবছৰীয়া ল'ৰাটিৰ কৰুণ মৃত্যুৱেও তেওঁলোকক অলপো বিচলিত কৰিব পৰা নাই । গোলাপৰ এই অবৰ্ণনীয় দুখ তথা দুৰ্ভাগ্যই কাৰোৱেই হৃদয় স্পৰ্শ কৰিব নোৱাৰিলে। কিয়নো তেওঁলোকৰ মাজত আছে ধনী আৰু দুখীয়া, চহৰীয়া আৰু গাঁৱলীয়া, সম্ভ্ৰান্ত আৰু সাধাৰণৰ মাজত থকা অলংঘনীয় অভেদ্য প্ৰাচীৰখন। গল্পটোৰ জৰিয়তে প্ৰচলিত সমাজ ব্যৱস্থাৰ প্ৰতি লেখকৰ আস্থাহীনতা ফুটি উঠিছে। এই প্ৰসংগত গল্পকাৰে নিজেই উল্লেখ কৰা মন্তব্য প্ৰণিধানযোগ্য - "মই বৰ্ত্তমানৰ সমাজ ব্যৱস্থাত সন্তুষ্ট নহয় বাবেই আৰু সামাজিক ৰাজনৈতিক দুৰ্নীতি আৰু দুতলীয়া চৰিত্ৰক সহ্য কৰিব নোৱাৰোঁ বাবেই মোৰ লেখাৰ মাজত তেনে কোনো ভাৱ প্ৰকাশ হ'ব পাৰে। কিন্তু স্পষ্টভাৱে জোৰকৈ কোনো ৰাজনৈতিক দৰ্শন জাপি দিব নোখোজোঁ যদিও মই মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি অনুৰক্ত।"[৪৯৬]

নগেন শইকীয়াৰ গল্পত অস্তিত্ববাদৰ শক্তিশালী প্ৰকাশ ঘটা পৰিলক্ষিত হয়। মানুহৰ ব্যক্তিসত্তাৰ অস্তিত্ব সমাজ জীৱনৰ অথবা সমূহীয়া জীৱনত নিহিত বা জড়িত হৈ নাথাকে। মানুহৰ ব্যক্তিসত্তাই সমাজৰ কঠোৰ বান্ধোনৰ হেঁচাত নিৰন্তৰ যন্ত্ৰণাবোধত ভূগিব লগা হয়। এনে অস্তিত্ববাদী দৃষ্টিভংগীৰে মানুহৰ জীৱনৰ সত্যানুসন্ধান কৰাৰ দিশত নগেন শইকীয়াৰ 'প্ৰাতিভাসিক'[৪৯৭] গল্পটোৰ বিষয়ে উল্লেখ কৰিব পাৰি। স্বাধীনতা লাভৰ অদম্য স্পৃহাই মানুহক অনবৰতে পীড়িত কৰে। মানুহৰ মনগহনত বন্দী হৈ থাকিবলগীয়া হোৱা স্বাধীন ইচ্ছাৰ যন্ত্ৰণা জীৱনৰ অন্যতম পৰম সত্য। সেয়েহে গল্পটোৰ আৰম্ভণিতে কোৱা হৈছে, "কাম কৰাৰ, নিজ খুচীমতে কাম কৰাৰ এটা আনন্দ লাগে।"[৪৯৮] মানুহৰ চিৰ ৰহস্যময় মনৰ স্বৰূপৰ বিষয়ে এইদৰে আছে - "মন যায় জানা - মানুহৰ ভিতৰখন জানিবলৈ"[৪৯৯] - পত্নীৰ এই আগ্ৰহত স্বামী সন্ত্ৰস্ত হৈ

৪৯৬। নগেন শইকীয়া- *আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ*, পৃঃ ১৮৮

৪৯৭। নগেন শইকীয়া-'প্ৰাতিভাসিক',*ৰামধেনু,* ১৯৭৯ চন, ২য় সংখ্যা

৪৯৮। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৪

৪৯৯। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৫

পৰিছে -কেঁচু খান্দোতে যদি কেনেবাকৈ সাপ ওলায় যায়! কিন্তু মনৰ এই ৰহস্য জানিবৰ বাবেই গল্পটোত মানুহৰ মনৰ ছবি তুলিব পৰা এটি অদ্ভুত যন্ত্ৰৰ প্ৰয়োজন অনুভৱ কৰা হৈছে। মানুহৰ মনৰ গোপন ৰূপ উদ্ঘাটন কৰাৰ অন্তহীন প্ৰয়াসৰ ফলস্বৰূপেই হাজৰিকাই বৈদ্যুতিক আৰু টেলিপেথিক ৱেভৰ যোগাযোগ পৰস্পৰ কৰি এটা বিশেষ কেমেৰা আৱিষ্কাৰ কৰাৰ পৰিকল্পনা কৰিছে -

ছবিৰ মাজত ফুটি উঠিছে মন আৰু মনৰ ভাৱ - হিংসা আৰু ঈৰ্ষা, ক্ৰোধ আৰু ঘৃণা, প্ৰেম আৰু কামনা, দুখ আৰু কৰুণা - ভৰি পৰিছে প্ৰতিহিংসা আৰু প্ৰতিশোধৰ মনোভাৱ। অথচ মুখবয়বত তাৰ কোনো আভাস নাই।[৫০০]

এনে এটা যন্ত্ৰ আৱিষ্কাৰ হ'লেই স্বামীয়ে গম পাই যাব তেওঁৰ পত্নীয়ে মনৰ মাজত কোনোবা পুৰুষৰ প্ৰতি আকৃষ্ট হৈ তেওঁক মনে মনে স্বামীৰূপত কল্পনা কৰিছে নেকি আৰু পত্নীয়েও গম পাই যাব ঠিক তেনেকৈ তেওঁৰ স্বামীয়েও কাৰোবাৰ প্ৰতি আকৃষ্ট হৈছে নেকি মনেৰে! পত্নীয়ে ভাবিছে -

মানুহৰ অতীত আৰু একান্ত নিজৰ হৈ থকা বাঞ্ছনীয়। তেওঁ যোৱা আটাইকেইটা বছৰ কেৱল হাজৰিকাক লগ পাবলৈ বাট চাই থকা নাছিল - হাজৰিকা নামৰ মানুহজনেই আছিল অচিনাকী। এই অতীতত তেওঁৰ মনৰ কামনা-বাসনা ৰুদ্ধ হৈ থকা নাছিল, - তেওঁৰ মন আৰু শৰীৰ অস্পৰ্শিত হৈ থকা নাছিল - নিশ্চয় হাজৰিকাৰো।[৫০১]

এহাল স্বামী-স্ত্ৰী-দুয়োৰে জীৱন একেডাল সূতাতে বন্ধা যদিও তেওঁলোকে কিন্তু নিজৰ মনৰ জগতত সুকীয়াভাৱে আত্মপ্ৰকাশ কৰে। সুকীয়া অস্তিত্বৰে স্বাধীনভাৱে মনৰ ৰহস্যময়তাক ভেদ কৰি নিজৰ অভিৰুচি অনুযায়ী কাম কৰাৰ এক অদম্য ইচ্ছাকে এই গল্পটোৰ জৰিয়তে প্ৰকাশ কৰা হৈছে। অস্তিত্ববাদী দৰ্শনেৰে মানুহৰ জীৱনৰ সত্যানুসন্ধান কৰাৰ ক্ষেত্ৰত নগেন শইকীয়াৰ এই গল্পটোৱে এখন উন্নত আসন দখল কৰিবলৈ সামৰ্থ হৈছে।

৫০০। নগেন শইকীয়া-'প্ৰাতিভাসিক',*ৰামধেনু*, ১৯৭৯ চন, ২য় সংখ্যা, পৃঃ ২৯

৫০১। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩০

# অপূৰ্ব শৰ্মা

১৯৪৩ চনত শোণিতপুৰ জিলাৰ হেলেমত জন্মগ্ৰহণ কৰা অপূৰ্ব শৰ্মা সাম্প্ৰতিক কালৰ এগৰাকী বিশিষ্ট গল্পকাৰ। *ৰামধেনু*ত গল্প লিখিবলৈ আৰম্ভ কৰি সাম্প্ৰতিক সময়তো সাহিত্য চৰ্চা অব্যাহত ৰখা শ্ৰীশৰ্মাৰ গল্পত বৈচিত্ৰ্যৰে ভৰা জটিল আধুনিক মনৰ মানুহৰ বিশ্লেষণ দেখা যায়। ১৯৬২ চনৰ *মণিদীপ*ত প্ৰকাশিত 'প্ৰভাতী পখীৰ গান' নামৰ গল্পটোৰে অপূৰ্ব শৰ্মাই নিজৰ সৃষ্টিৰ যাত্ৰা আৰম্ভ কৰে।

নগাওঁ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ পদৰ পৰা অৱসৰ গ্ৰহণ কৰা শ্ৰীশৰ্মা তেওঁৰ গল্প সংকলন *বাঘে টাপুৰ ৰাতিৰ* (১৯৯৬) বাবে ২০০০ চনৰ সাহিত্য অকাডেমী বঁটাৰে সন্মানিত হয়। তেওঁৰ অন্যান্য উল্লেখযোগ্য গল্প সংকলন দুখনমান হ'ল *শুভবাৰ্তা*, *বন্ধুৰ পথৰ কেইজনমান ডেকা মানুহ* (১৯৭৭) ইত্যাদি।

*ৰামধেনু*ত প্ৰকাশিত 'সাগৰ সংগীত'[৫০২] গল্পটোৰ বিষয়ে গল্পটোৰ শেষত গল্পকাৰ অপূৰ্ব শৰ্মাই এইদৰে লিখিছে - "গল্পটোত কোনো গল্প দেখা নাযায় (ৰোমাণ্টিক আৱেগৰ বাহিৰে), চিন্তা শূন্য, ভাষা আয়াস দুষ্ট । কিন্তু লেখকৰ অস্বস্তিবোধো কেতিয়াবা, বোধ হয়, পাঠক আৰু আকোঁৰগোঁজ সম্পাদকৰ আমেজ হ'ব পাৰে। লেখকৰ আপত্তি নৰজে।"[৫০৩] 'সাগৰ সংগীত' গল্পটোৰ আৰম্ভণিত গল্পৰ নায়িকা আইনুৰ লগতে ঘৰৰ প্ৰত্যেকজন ব্যক্তি - আইনুৰ মাক - দেউতাক আৰু লগুৱা নন্দুৰ মনত দুদিনমান ধৰি অহৰ্নিশে চলি থকা অশান্তিৰ উমান দিয়া হৈছে। আইনুৰ ভাতৃ সোণ হৈছে এই অশান্তিৰ কেন্দ্ৰবিন্দু। পিতৃৰ তীব্ৰ ইচ্ছাৰ বিৰুদ্ধে গৈ সোণে নিজৰ ইচ্ছামতে বিয়া কৰিব খোজাতেই এই অশান্তিৰ সূত্ৰপাত ঘটিছে। নিজৰ ঘৰ ত্যাগ কৰি সোণ গুছি গৈছে কলিকতাৰ মানিক ভিনদেউৰ ঘৰলৈ। গল্পটোৰ শেষৰ ফালে ঘৰখনত বিৰাজ কৰা এই অশান্তিকৰ, গোমোঠা পৰিবেশ স্বাভাৱিক হোৱাৰ ইংগিত আছে। আইনুৰ ব্যক্তিত্বশালী জেঠাদেৱেকৰ প্ৰভাৱত আইনুৰ পিতৃয়ে সোণৰ ইচ্ছাতেই সৈমান হোৱাৰ অৱকাশ ৰাখিছে। জেঠাদেউৰ জীয়ৰী আইনুৰ অন্তৰংগ লগৰী বীণ বিয়াৰ পিছত মাতৃ হ'বলৈ আগবাঢ়িছে - এই শুভ সংবাদে আইনুক আহ্লাদিত কৰি তুলিছে। শৈশৱৰ বন্ধু মোহনৰ সৈতে হোৱা কথা-বতৰায়ো আইনুৰ হৃদয় শাঁত পেলাইছে। অথচ মোহনৰ সৈতে হোৱা বাৰ্তালাপত সামগ্ৰিকভাৱেই বিৰাজ কৰিছিল কেৱল সমস্যা আৰু অনিশ্চয়তাৰ কথা। খাজনা মাফৰ আৰ্জি লৈ অহা মোহনৰ মুখে তাই গম পায় - সিহঁতৰ গাঁৱৰ বদনহঁতৰ

৫০২। অপূৰ্ব শৰ্মা—'সাগৰ সংগীত', *ৰামধেনু*, *১৫শ বছৰ, ১১শ সংখ্যা*

৫০৩।অপূৰ্ব শৰ্মা—'সাগৰ সংগীত', '*ৰামধেনুৰ শ্ৰেষ্ঠ গল্প*, পৃঃ ৩২০

মাকৰ নৰিয়া বৰ টান, অকণৰ ভৱিষ্যত এতিয়াও অনিশ্চিত - কাৰণ মাটিৰ মোকৰ্দমাটো চলিয়েই আছে। ইফালে স্কুলখনক লৈও বিবাদ চলি আছে, চাপৰিত নেপালী পমুৱাৰ সৈতে অসমীয়াৰ কাজিয়া অমীমাংসিত হৈয়েই আছে।

দৈনন্দিন জীৱনৰ সাধাৰণ সমস্যাই জীৱনৰ সুস্থিৰ প্ৰবাহত আউল লগাই খেলিমেলিৰ সৃষ্টি কৰিছে। কোনো সমস্যাৰে সমাধান নাই, কোনো স্পষ্ট সিদ্ধান্ত নাই , কোনো স্থিৰতা নাই । আইনুৱে উপলব্ধি কৰিছে - এয়া কেৱল সোণৰ সমস্যা নহয়, তাইৰ নহয়, অকণ-বদনহঁতৰ নহয়, আনকি তাইৰ গাঁৱৰ মাত্ৰ নহয়। তাইৰ অনুভৱ হ'ল এই বিভ্ৰান্তিকৰ অন্তঃপ্ৰবাহ বিস্তীৰ্ণ আৰু ব্যাপ্তিশীল। অনিশ্চয় খেলিমেলিত জীৱনৰ মূল ভিত্তি অস্থিৰ হৈ পৰিছে। মানৱ আত্মাৰ গভীৰ চেতনা আৰু স্থিতি যেন বিশৃংখল আৰু অশান্ত হৈ পৰিছে। এই দুখবাদী চিন্তাই আইনুৰ মন ভাৰাক্ৰান্ত কৰি তুলিছে আৰু তাৰ মাজেদিয়েই অস্তিত্ববাদী ধ্যান-ধাৰণাই 'সাগৰ সংগীত'ত ভূমুকি মাৰিছেহি । সেইদৰে অস্তিত্ববাদী চিন্তাধাৰা অনুসৰি মানুহৰ জীৱনৰ অস্তিত্ব মাথোন চিন্তাজগতত। বিমূৰ্ত ভাৱনাৰ দ্বাৰা গ্ৰাহ্য ভিন্ন অস্তিত্বৰ উপলব্ধিৰে গল্পটোত অস্তিত্ববাদী চিন্তাধাৰাৰ প্ৰকাশ ঘটোৱা হৈছে। অস্তিত্ববাদী ধ্যান-ধাৰণাৰে জীৱনৰ দুখময়তা প্ৰকাশ কৰাৰ লগতে এই গল্পটোত মানুহৰ জীৱনৰ নিসংগ চেতনাৰ কথাও কোৱা হৈছে। এই অপ্ৰীতিকৰ পৰিস্থিতিটোত আইনুৱে বৰ অসহায়বোধ কৰিলে। তাই অনুভৱ কৰিলে তাই যেন বৰ নিঃসংগ। এক দুৰ্বল চেতনাই তাইৰ দেহ-মন আচ্ছন্ন কৰি তুলিলে।

এইদৰে নিজৰ আৰু বাহিৰৰ চিনাকি জগতখনৰ বিভিন্ন সমস্যা আৰু অনিশ্চয়তাত ভাৰাক্ৰান্ত হৈ থকা আইনুৰ মনলৈ গল্পটোৰ শেষত পুনৰ প্ৰশান্তি ঘূৰি আহিছে, তাৰ লগে লগে ঘৰখনলৈও সামগ্ৰিকভাৱে পুনৰ সহজ পৰিৱেশ আহি পৰাৰ সম্ভাৱনাও গল্পকাৰে ফুটাই তুলিছে - 'আচৰিত! তাই ভাবিলে, কিয় ইমান পাতল লাগিছে তাইৰ মন! কি আশ্বাস তাই পাইছে যাৰ বাবে সমস্ত দিনৰ দ্বন্দ্ব আৰু দুচিন্তাৰ প্ৰবাহ অনায়াসে অন্তৰ্হিত হৈ গৈছে ? কি কাৰণে তাইৰ মন আশাৰে পূৰ্ণ হৈছে ? মোহনৰ লগত অন্তৰংগ আলাপৰ কাৰণে? বীণৰ বিস্ময়-মধুৰ সংবাদৰ বাবে ? অথবা - তাই ভাবিলে, অথবা আবেলি পঢ়া সেই সুন্দৰ গল্পটোৰ বাবে ? "যুগ এটা শেষ হওঁ হওঁ' বাৰে বাৰে গল্পটোৰ এই কথাষাৰকে এটা সুন্দৰ কবিতাৰ ধ্বনিময় চৰণৰ দৰে তাই মনে মনে উচ্চাৰণ কৰিছে আৰু ক্ৰমে ক্ৰমে তাইৰ মন দৃঢ়তৰ হৈ গৈছে।"[৫০৪]

---

৫০৪।অপূৰ্ব শৰ্মা—'সাগৰ সংগীত', *ৰামধেনুৰ শ্ৰেষ্ঠ গল্প*, পৃঃ ৩১৮

স্পষ্ট তথা শুদ্ধ পৰ্যবেক্ষণ ক্ষমতা আৰু শক্তিশালী প্ৰকাশভংগীৰ অধিকাৰী অপূৰ্ব শৰ্মাৰ 'সাগৰ সংগীত' গল্পটোত লেখকে চেতনাস্ৰোত পদ্ধতিৰে কাহিনী উপস্থাপন কৰিছে । গল্পৰ নায়িকা আইনুৰ মনৰ মাজতে গল্পটোৰ সকলোখিনি ঘটনা বা চিন্তা আৱৰ্তিত হৈছে। চেতনাস্ৰোতধৰ্মী ৰচনাত একেলগে একে সময়তে মানুহৰ মনৰ বিক্ষিপ্ত আৰু বিচিত্ৰ অনেক ভাৱ-অনুভূতি প্ৰকাশ পায়। তেনেদৰে এই গল্পটোতো আইনুৰ মনৰ বিভিন্ন ভাৱ-অনুভূতিৰ ভিন্ন ৰূপ প্ৰকাশ পাইছে। গল্পটোৰ আৰম্ভণিতে আইনুৱে সাৰ পাই নিজৰ ঘৰৰ চৌপাশৰ ৰাতিপুৱাৰ পৰিৱেশটোৰ বিষয়ে ভাবি থাকোতেই তাইৰ মন সুদূৰ কলিকতালৈ উৰা মাৰিছে -

> তাইৰ কাণত পৰিল সিঁহতৰ পিছফালৰ গছত এটা চিনাকী চৰায়ে মাতিছে। কৰবাৰ পৰা ছয় বজাৰ ঘন্টা ধ্বনি ভাঁহি আহিছে। ৰাস্তাৰে সশব্দে বোধহয় এখন চৰকাৰী বাছ পাৰ হৈ গৈছে। দূৰত ফেৰিৰ হুইচেল। সিঁহতৰ পিছফালে দূৰত শিলৰ ওপৰেদি বৈ যোৱা নদীৰ হো হো শব্দ।.............. ষ্টেচনত ইঞ্জিন এটাই মুভিং কৰি ফুৰিছে। বিভিন্ন ৰকমৰ সংগতিহীন শব্দ ভাঁহি আহিছে। .......................... আইনুৰ মনো খেলিমেলি চিন্তাৰে ভৰি উঠিল। ................ তাইৰ মনত পৰিল যে এতিয়া হয়তো কলিকতাৰ হাৰিচন ৰোডৰ উনৈশ নম্বৰ ফ্লেটৰ এটা সৰু কোঠাত অনিশ্চিত ভৱিষ্যতৰ চিন্তাৰে ক্লিষ্ট এক নবীন যুৱকে গভীৰ টোপনিত আচ্ছন্ন হৈ পৰিছে।................... তাৰ পাছত তলৰ খিৰিকীৰ ফাঁকেদি লাখ লাখ বিভিন্ন ধৰণৰ শব্দ তৰংগ হো-হোৱাই সোমাই আহিব।.................. বস্তুতঃ জীৱনৰ পদ্ধতি প্ৰায় সকলোৰে একেই, বিজ্ঞৰ দৰে আইনুৱে ভাবিবলৈ আৰম্ভ কৰিলে। গুহামানৱৰ দিনৰ প্ৰাত্যহিক জীৱনৰ আৰম্ভণিৰ যি বিশৃংখল আৰু বৈচিত্ৰ্য আছিল আইনষ্টাইনৰ যুগতো সি অবিকৃতভাৱে অব্যাহত আছে।[৫০৫]

আকৌ এবাৰ আইনুৰ মনত পৰিছে তাইৰ শৈশৱৰ স্মৃতি জড়িত সোণালী ঠাইখনলৈ - তাইৰ আপোন গাওঁখনলৈ -

> বন্ধ হৈ থকা খিৰিকীখন তাই খুলি দিলে। খিৰিকীৰ মাজেদি তাই দেখা পালে তাইৰ তাহানিৰ গাওঁ। তাইৰ ব্যাপ্তিশীল কল্পনাই অৰ্দ্ধবিস্মৃত অভিজ্ঞতাৰ অস্পষ্ট লোকৰ পৰা টানি আনিলে অসংখ্য দীপ্যমান মায়াময় ছবিৰ মিছিল। ................ তাই দেখিছে শাৰদীয় পূৰ্ণিমাৰ ৰাতি শাৰী শাৰী তামোল গছৰ ফাঁকেদি পোহৰৰ ৰশ্মি বিস্ফুৰিত হৈছে। ওপৰত নীলাবোৰত সেই পোহৰৰ উদ্ভাস আৰু তামোলৰ পাতৰ মাজেদি দেখা গৈছে সেই ৰূপালী বস্তুটোৰ অংশ বিশেষ। ঠিক সেইসময়তে দূৰৈৰ পৰা কঁপি কঁপি ভাঁহি আহিছে বাঁহীৰ কোমল কৰুণ সুৰ, বেৰৰ চুকত টিক্ টিক্ কৰি উঠিছে এটা জেঠীয়ে আৰু বাৰীচুকৰ পৰা ভাঁহি আহিছে ৰহস্যময় ৰাতিৰ চৰাইৰ পুলকভৰা কলকন্ঠ। আত্মবিস্মৃত হৈ আইনুৱে স্মৃতি ৰোমন্থন কৰিব ধৰিলে।[৫০৬]

---

৫০৫। অপূৰ্ব শৰ্মা—'সাগৰ সংগীত', '*ৰামধেনুৰ শ্ৰেষ্ঠ গল্প*, পৃঃ ৩০৭

৫০৬। অপূৰ্ব শৰ্মা—'সাগৰ সংগীত', '*ৰামধেনুৰ শ্ৰেষ্ঠ গল্প*, পৃঃ ৩১৪

এইদৰে বিভিন্ন বিক্ষিপ্ত ভাবানুভূতি একেলগে প্ৰকাশ কৰোঁতেও গল্পৰ কেন্দ্ৰীয়ভাবৰ আঁত হেৰাই যোৱা নাই গল্পকাৰৰ ৰচনাৰীতিৰ সংযমৰ বাবে।

'অকাল বসন্ত'[৫০৭] *ৰামধেনু*ত প্ৰকাশিত অপূৰ্ব শৰ্মাৰ অন্যতম উল্লেখযোগ্য গল্প। চেতনাস্ৰোত ৰীতিৰ প্ৰয়োগ এইটো গল্পতো পৰিলক্ষিত হয়। 'অকাল বসন্ত' গল্পটোৱে সৌৰভ কুমাৰ চলিহাৰ 'অশান্ত ইলেক্ট্ৰন' গল্পটোলৈ মনত পেলায়।

এই গল্পটোতো কাহিনী বুলিবলৈ এটা বিশেষ ঘটনা বিচাৰি পোৱা নাযায়। সেয়েহে কাহিনীৰ আদি, মধ্য আৰু অন্তভাগৰো অস্তিত্ব পাবলৈ নাই। নিজৰ নিজৰ সমস্যা আৰু দুৰ্ভাগ্যই জুৰুলা কৰা পাঁচজন যুৱকে এক নিৰুত্তাপ, নিস্তেজ, গতানুগতিকতাৰে ভৰা জীৱন পাৰ কৰে ৰামগিৰি মেছত। অখিল, সুধাংশু, মহেশ, প্ৰতুল আৰু জ্যোতিদা। অখিল গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ। গল্পটোৰ আৰম্ভণি হৈছে এইদৰে - "ভৰিৰ তলে এটা মহৰ কামোৰত অখিলৰ টোপনি ভাগি গ'ল। এটা প্ৰায় নিয়মিত ঘটনা; সি বিশেষ বিৰক্ত হ'ল।"[৫০৮] সাৰ পোৱাৰ পিছৰে পৰা অখিলৰ মনৰ দিগন্ত মুকলি হৈছে - সি সিহঁতৰ মেছটোৰ কথা, তাৰ আটাইজন বাসিন্দাৰ কথা, ওচৰৰ কেদাৰ মিত্ৰ, জগদীশহঁত, আঁতৰত থকা তাৰ মৰমৰ গাওঁখন, মাক-ভনীয়েক, বায়েক আৰু প্ৰেমিকা অনুপমাৰ কথা ভাবিবলৈ আৰম্ভ কৰিছে। মাক-ভনীয়েক আৰু অনুপমালৈ চিঠি লিখিবলৈ সি বাৰে সংকল্পবদ্ধ হৈছে যদিও সফল হোৱাগৈ নাই - আনুষংগিক বিভিন্ন ঘটনাই তাৰ সেই বন্ধৰ সুন্দৰ আৰামদায়ক সময়খিনি মষিমূৰ কৰি পেলাইছে। পৰম শান্তিৰে জিৰণিৰ একমাত্ৰ আশ্ৰয়স্থল বিচনাখনত এবাগৰ দিওঁতেই বাৰে বাৰে মহে কামুৰি আমনি কৰাৰ এই প্ৰতীকধৰ্মী ইংগিতেৰে গল্পকাৰে মানুহৰ জীৱনৰ অনিবাৰ্য দুখৰ কথাকেই প্ৰকাশ কৰিব খুজিছে যেন লাগে। মহে কামোৰাৰ লগে লগে সুধাংশুৱে গৰ্জন কৰি উঠিছে - "চালাৰা আমাদেৰ ৰক্ত চুষে খাচ্ছে ।"[৫০৯] ৰতিপুৰাৰ কাউৰীৰ চিঞৰৰ বা বেলৰ উকিৰ দৰে সুধাংশুৰ এই গৰ্জনো নিয়মিত । তাৰ সতৰ্কতা সত্বেও আঠুৱাৰ ভিতৰত দুই এটা মহৰ

৫০৭। অপূৰ্ব শৰ্মা—'অকাল বসন্ত', '*ৰামধেনুৰ ১৭শ বছৰ, ৭ম সংখ্যা*

৫০৮। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৬৫২

৫০৯। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৯৫৩

দ্বাৰা সি প্ৰায়েই আক্ৰান্ত হয়। সুধাংশুৰ উক্ত গৰ্জন তেনে কোনো অনুপ্ৰৱেশকাৰী মহৰ বিৰুদ্ধে সোচ্চাৰ প্ৰতিবাদৰ নিদৰ্শন। তাৰ কণ্ঠত সততেই অপৰিবৰ্তিত পঞ্চম দশকৰ সাম্যবাদী বা ততোধিক, প্ৰাক্-স্বাধীনতাৰ বিপ্লৱী গানে বিৰাজ কৰি থাকে।'অশান্ত ইলেক্ট্ৰন'' গল্পৰ নায়ক নিখিলৰ দৰে এই গল্পটোত অখিলৰ মানসিক বিচিত্ৰ অৱস্থাৰ প্ৰতিফলন ঘটিছে আৰু অখিলে লগ পোৱা বিভিন্ন পৰিস্থিতিৰ বিভিন্ন মানুহৰ সৈতে তাৰ মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়া ঘটিছে।

অখিলৰ ঘৰলৈ চিঠি লিখা কামটো হৈ নুঠেগৈ ।পোহৰে বিশৃংখল পানীৰ ঢৌত সুন্দৰ পেটাৰ্ণ সৃষ্টি কৰাৰ দৰে বা আন্ধাৰে পোহৰৰ পথ স্পষ্ট কৰাৰ দৰে ৰাতিপুৱাৰে পৰা ঘটা অসংলগ্ন ঘটনা প্ৰবাহে তাৰ মনলৈ এক সংহত চিন্তাৰ প্ৰবাহ আনে। জীৱন, সমাজ, ঈশ্বৰ - সকলোৰে প্ৰতি বীতশ্ৰদ্ধ হোৱা অখিলৰ সংসাৰৰ গতানুগতিকতা অসহ্য লাগে - অলপ ব্যতিক্ৰমৰ সন্ধানত সি ব্যাকুল হৈ পৰে - ''অসহ্য, একঘেঁয়ে সেই সনাতন ইটোৰ পিছত সিটো ঋতুৰ নিয়মমাফিক অহাযোৱা, চন্দ্ৰ-সূৰ্যৰ উদয়াস্ত। গতানুগতিকতাৰে সংপৃক্ত হৈ পৰাৰ পিচত জীয়াই থকাৰ ইচ্ছা হেৰুওৱাৰ ফলতে কিজানি মানুহ মৰে। ভাগ্যে সিহঁতক মৃত্যু নামে এটা ঘটনা বা ওৱে আউট আছিল।''[১০] মানুহ কিয় জীয়াই থাকে সেইটোৱে এটা ডাঙৰ ৰহস্য - সি প্ৰায়েই ভাৱে আৰু তাৰ বাবে তাতকৈও ডাঙৰ ৰহস্য মানুহে কিয় বিৰক্তিকৰ গতানুগতিকতাৰ মাজত জীৱন কটায় ! তাৰ ভাৱ হয় সি যেন সকলো সামাজিক প্ৰথা আৰু নিয়মৰ শৃংখল চূৰ্ণ-বিচূৰ্ণ কৰি এক বেপৰোৱা জীৱন আৰম্ভ কৰিব! কিন্তু পিচ মুহূৰ্ততে অখিলৰ সন্দেহ জন্মে। তাৰ অজন্ম সংস্কাৰ, দায়িত্ববোধ, প্ৰথাসিদ্ধ সাঁচত গঢ় লোৱা বিবেক, মোহ, দুৰ্বলতা - এইবোৰ জানো সি জলাঞ্জলি দিব পাৰিব! নাইবা নিয়ম ভাঙিলেই জানো তাৰ সমস্যাৰ অন্ত পৰিব - সি জানো সুখী হ'ব পাৰিব ? অখিলৰ চিনাকি উকীল উমেশ বাবুৰ মুখত সততে শুনা যায় শাসন আৰু সমাজ ব্যৱস্থাৰ চোকা সমালোচনা। গান্ধীজীৰ শিষ্য উমেশ বাবুৱে জীয়াই থকাৰ মানৰ অধোগতি আৰু নৈতিকতাৰ পতনৰ বাবে, স্বচ্ছন্দ সুস্থ জীৱন য'ত জীৱনৰ মানে সেই শুভ ৰাষ্ট্ৰৰ অনুপস্থিতিৰ বাবে চৰকাৰক তেওঁ দোষ দিয়ে। ৰামগিৰি মেছৰ আন এজন নিয়মীয়া আলহী ভাৰ্গৱ - গাত শুদ্ধ টেৰেলিনৰ পোছাক আৰু ভৰিত উজ্বল দামীজোতাৰে অনৰ্গল বক্তৃতা দিয়ে দেশৰ দলিত অনাহাৰী - অৰ্দ্ধাহাৰী জনতাৰ দুৰ্দশা আৰু প্ৰতিকাৰৰ ব্যৱস্থা সম্পৰ্কে। জ্যোতিদাই মহেশক বাৰে বাৰে অৰ্থহীন প্ৰেম আৰু অসাৰ্থক জীৱনৰ কথা জোৰকৈ বুজায়, মাজে মাজে অচিন বঙালী কবিৰ দীঘলীয়া

---

১০। অপূৰ্ব শৰ্মা-'অকাল বসন্ত', *ৰামধেনু*, ১৭শ বছৰ, ৭ম সংখ্যা, পৃঃ ৬৬৩

কবিতাৰ উদ্ধৃতি দিয়ে আৰু হঠাতে চিঞৰি উঠে - "সকলো ধৰ্মৰে ঈশ্বৰৰ এতিয়া উচিত গোপনে আত্মহত্যা কৰা নাইবা নিজৰ অকৰ্মণ্যতাৰ বাবে সকলোৰে সন্মুখত ক্ষমা বিচৰা।" ৫১১ - গল্পটোৰত নিহিত থকা অস্তিত্ববাদী ধ্যান-ধাৰণায়ো ইয়াৰ জৰিয়তে ভূমুকি মাৰিছেহি।

'অকাল বসন্ত' গল্পত অস্তিত্ববাদী ধ্যান-ধাৰণাৰে জীৱনৰ দুখময়তা প্ৰকাশ কৰাৰ উপৰিও মানুহৰ জীৱনৰ নিঃসংগ চেতনাৰ কথাও প্ৰকাশ কৰা হৈছে -

> হঠাতে সি নিৰুৎসাহ অনুভৱ কৰিলে। এইখন সেই চিৰন্তন প্ৰাচীন পৃথিৱী- এয়া তাৰ কদৰ্য কুঠৰী, পৃথিৱীৰ আংগণে-প্ৰাংগণে, কোঠাৰ চুকে-কোণে সকলোতে এতিয়া বিয়পি পৰিছে দিনান্তৰ ম্লান বিষন্নতা। চৌদিশে আকীৰ্ণ কৰি নামি আহিছে বৈচিত্ৰ্যহীন, বিবৰ্ণ সন্ধিয়া - চিৰাবস্তুতাৰ স্পৰ্শৰ জঠৰ আৰু ভোতা, সমগ্ৰ দিনৰ ব্যৰ্থতা আৰু ক্লান্তিৰ ভাৰত নিৰাশা আৰু নিৰুত্তেজ ....................।৫১২

কিন্তু তথাপিও এই সকলোবোৰ নঞাৰ্থক চিন্তা-ঘটনাৰ মাজতো অখিলে আশা আৰু আশ্বাসৰ বীজ বিচাৰি পাইছে দহ বছৰীয়া শিশু ৰুমিৰ হাঁহিৰ মাজত ,- 'অশান্ত ইলেক্ট্ৰন'ৰ নিখিলে শিশু ৰুণুৰে খট্‌খটী বগাবলৈ সামৰ্থ হোৱাত আশাৰ ৰেঙণি দেখাৰ দৰে। অখিলে জানিলে দেৱালৰ গান্ধীৰ ফটোত প্ৰত্যহৰ ধূলি জমা হ'ব; ঘৰত, বাটত, অফিচৰ হাজাৰ মানুহৰ হাজাৰ হুমুনিয়াহ তাৰ কান্ধত পৰিব, লাখ লাখ মহে সিহঁতৰ শান্তি হৰণ কৰিব কিন্তু তথাপিও ৰুমিলৈ চাই তাৰ মুখত আশ্বাসৰ হাঁহি উজ্বল হৈ উঠিল। আন্ধাৰে আচ্ছন্ন অনিশ্চিত ভৱিষ্যতৰ যাত্ৰাপথত সিহঁতৰ যাত্ৰা অব্যাহত হৈয়েই ৰ'ব - চেতনাহীন পুৰাকালৰ নায়কৰ দৰে অবিচলিত চিত্তে কঠোৰ শাস্তি বহন কৰিও সিহঁত যেন বাস্তৱ নহয়, এক অলৌকিক স্বপ্নযাত্ৰাৰ পথত সিহঁত আগবাঢ়ি যায়। এইদৰে বিভিন্ন বিক্ষিপ্ত ভাৱানুভূতি একেলগে প্ৰকাশ কৰেঁতেও কিন্তু গল্পৰ কেন্দ্ৰীয়ভাৱে আঁত হেৰাই যোৱা নাই গল্পকাৰৰ ৰচনাৰীতিৰ সংযমৰ বাবে -

> তেওঁৰ পূৰ্বসূৰী সৌৰভ কুমাৰ চলিহাৰ দ্বাৰা অনুসৃত চেতনাস্ৰোতধৰ্মী ৰচনা কৌশলৰ প্ৰয়োগেৰে শ্ৰীশৰ্মাই তেওঁৰ পাঠকৰ আগত তুলি ধৰে বিচিত্ৰতা আৰু জটিলতাপূৰ্ণ আধুনিক মানুহৰ গভীৰ চিত্ৰায়ণ, তাৰ সত্তাৰ সচেতনভাৱে বিচ্ছিন্ন আৰু বিভক্ত চৰিত্ৰ। তেওঁৰ গল্পৰ ক্ৰুদ্ধ যুৱকজনে তীব্ৰভাৱে অনুভৱ কৰে সত্তাৰ অবিৰত বিভাজনৰ ফলত আপোন সত্তাৰ সৈতে হোৱা তাৰ নিৰুপায় বিচ্ছিন্নতা। সেয়েহে শ্ৰীশৰ্মাৰ গল্পত অনুভূত বাস্তৱৰ চিত্ৰ সদায় কেৱল এক অৰ্থপূৰ্ণ তিৰ্যক বাস্তৱ; খুটিনাটি চিত্ৰ আৰু পৰিবেশৰ অবিকল বৰ্ণনা সত্বেও তেওঁৰ সৃষ্ট বাস্তৱ প্ৰাত্যহিক

---

৫১১।অপূৰ্ব শৰ্মা-'অকাল বসন্ত', *ৰামধেনু*, ১৭শ বছৰ, ৭ম সংখ্যা, পৃঃ ৬৬৯

৫১২। অপূৰ্ব শৰ্মা-'অকাল বসন্ত', *ৰামধেনু*, ১৭শ বছৰ, ৭ম সংখ্যা, পৃঃ ৬৬৫

পৰিচিত বাস্তৱ নহয়। বাস্তৱৰ সচেতন আৰু তীব্ৰ উপলব্ধিৰ পটভূমিত তেওঁৰ নায়কৰ বিভক্ত, বিচ্ছিন্ন আৰু নিৰুপায়ভাৱে নিঃসংগ অস্তিত্বই সেয়ে মনলৈ আনে ডষ্ট'য়েভ্স্কীৰ 'আন্দাৰগ্ৰাউণ্ড মেন'ৰ উক্তি : We have all lost touch with life, we are all cripples, everyone of us - more or less. [৫১৩]

'শইচৰ বতৰ'[৫১৪] অপূৰ্ব শৰ্মাৰ *ৰামধেনু*ত প্ৰকাশিত অন্য এটা গল্প। ইয়াত গল্পকাৰৰ লেখনিত মূৰ্ত হৈ উঠিছে তেনেই সাধাৰণ, নিঃস্ব এগৰাকী বিধবা মাতৃৰ উপায়হীন দুখজনক অৱস্থা। বেমাৰী গিৰিয়েকৰ মৃত্যুৰ পিছত দিন যোৱাৰ লগে লগে বাঢ়ি অহা অভাৱৰ ভয়াবহতা সহ্য কৰিব নোৱাৰি গাঁৱৰ মহৰীৰ ওচৰত মুহিলাই আত্মসমৰ্পণ কৰিবলৈ বাধ্য হৈছে যদিও তাইৰ অন্তৰ দুখ বা অনুশোচনাত দগ্ধ হোৱা নাই। ইমান দিনে যেন এয়ে হ'বলগীয়া আছিল, সহজ আৰু স্বাভাবিক আছিল - এনে এক ভাৱত মুহিলা স্থিৰ আৰু সহজ হৈয়ে ৰ'ল। গাঁৱৰে লগৰী ইলাচীয়েও মুহিলাৰ এই স্খলনত বিশেষ দোষণীয় একো দেখা নাই। ইলাচীয়ে সান্ত্বনা দিছে -"কিনো কৰিবি ? কিমান আৰু সহিবি.?. .....পিছে সাবধানে চলিবি। বা-বদনাম ওলাব লাগিলে ..... এনেয়ে আঁটিছে।"[৪১৫] কিন্তু ইলাচীৰ এই চিন্তাতকৈ মুহিলা বহুদূৰ আগবাঢ়ি গৈছে - অতি সহজভাৱে তাই উত্তৰ দিছে - "বদনামহে নোলাব বাই! পিছে, সদনামেও আমুৱালে। বহুত ভোগ কৰিলো। এইবৈচা বদনামকে লওঁ দে।"[৫১৬] মুহিলাৰ এই দুঃসাহস আৰু স্বাভাবিক অৱস্থাই ইলাচীকো সাহস দিছে আৰু তাই হহইচ্ কৰি কৈছে - "এৰা, লেঠা-পিঠা হৈ ল'ৰা-পোৱালি এটা হ'লে বুঢ়ী বয়সত তোকে চাব পাৰিব"[৫১৭] - এনে ধৰণৰ আধুনিকতাও অসমীয়া গল্পত নতুন।

---

৫১৩। লেখকৰ বিষয়ে একাষাৰ- *বাঘে টাপুৰ ৰাতি*, শেষ পৃষ্ঠা ।

৫১৪। অপূৰ্ব শৰ্মা- 'শইচৰ বতৰ', *ৰামধেনু*, ১৯৮০ চন, মাৰ্চ-এপ্ৰিল সংখ্যা

৫১৫। অপূৰ্ব শৰ্মা- 'শইচৰ বতৰ', *বাঘে টাপুৰ ৰাতি*, পৃঃ ৩৪

৫১৬। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৪

৫১৭। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৫